# Course 507

# শিক্ষক আৰু বিদ্যালয়

ব্লক - 2

গোট - 6

টোকা

## গোট - 6 ঃ শিক্ষক আৰু বিদ্যালয়

# সংগঠন


6.0 প্রস্তাৱনা

6.1 শিকন উদ্দেশ্যাৱলী

6.2 পৰিৱৰ্তিত বিদ্যালয় পটভূমি আৰু শিক্ষকৰ বাবে প্রত্যাহ্বানসমূহ

  6.2.1 বিদ্যালয় ব্যৱস্থাৰ পৰিবৰ্তন

  6.2.2 শিক্ষকৰ সন্মুখত প্রত্যাহ্বানসমূহ

6.3 সৰ্বশিক্ষা অভিযানত বিদ্যালয় ব্যৱস্থাৰ বিকাশৰ বাবে লোৱা ব্যৱস্থাসমূহ

6.4. শিশুকেন্দ্রিক শিক্ষা সহায়ক বিজ্ঞান সন্মত প্রক্রিয়াসমূহ

6.5. শিক্ষা ব্যৱস্থাত শিক্ষকৰ ভূমিকা

  6.5.1 শিক্ষকৰ ভিন্নমুখী ভূমিকা

  6.5.2 সৰ্বশিক্ষা অভিযান আঁচনিৰ দ্বাৰা নিৰ্ধাৰিত শিক্ষকৰ ভূমিকা

6.6 শিক্ষকৰ বৃত্তিমূলক বিকাশ

  6.6.1 ৰাষ্ট্ৰীয় পৰ্যায়ত গ্ৰহণ কৰা ব্যৱস্থাসমূহ

  6.6.2 সমাজত বিকাশ

    6.6.2.1 সম্পদ হিচাবে সমাজ

    6.6.2.2 পাৰস্পৰিক বিকাশ- শিক্ষক আৰু সমাজ

6.7 সমাজত শিক্ষকৰ নেতৃত্ব

6.8 সংক্ষেপে জানি থওঁ আহক

6.9 'আগ্ৰগতিৰ বুজ লওঁক' উত্তৰসমূহ

6.10 অনুমোদিত আৰু প্রাসংগিক গ্রন্থসূচী

6.11 গোটৰ অন্তৰ অনুশীলন


টোকা

## 6.0 প্ৰস্তাৱনা ঃ

আগৰ গোটটোত আপুনি 'শিশুৰ শিক্ষাৰ অধিকাৰ আইন 2009'এই ঐতিহাসিক আইনখনৰ বিষয়ে জানিব পাৰিলে। শিক্ষাৰ উদ্দেশ্য হৈছে শিশুৰ সৰ্বাংগীন বিকাশ সাধন কৰা। এখন বিদ্যালয়ৰ পাঠ্যক্ৰমিক আৰু সহ পাঠ্যক্ৰমিক কাৰ্যাৱলীসমূহ শিশুৰ বৃদ্ধি আৰু বিকাশৰ পৰিপ্ৰেক্ষিতত প্ৰস্তুত কৰা হয়। বিদ্যালয় হৈছে এনে এক স্থান য'ত পৰিকল্পিত ৰূপত অথবা অপৰিকল্পিত ৰূপত শিশুৱে বিভিন্ন শিকন অভিজ্ঞতা লাভ কৰে। ভাৰতবৰ্ষত বিদ্যালয়সমূহক বিভিন্ন দিশৰ পৰা শ্ৰেণী বিভাগ কৰা হৈছে। যেনে -

- শিক্ষাৰ স্তৰৰ ভিত্তিত প্ৰাথমিক আৰু মাধ্যমিক
- বিত্তীয় দিশৰ পৰা প্ৰাইভেট, চৰকাৰী সাহায্যপ্ৰাপ্ত আৰু চৰকাৰী
- নিৰ্দেশনা দানৰ মাধ্যমৰ ভিত্তিত ইংৰাজী মাধ্যম, আৰু মাতৃভাষাৰ মাধ্যমৰ বিদ্যালয়সমূহ বিভিন্ন প্ৰকাৰৰ হ'লেও বিদ্যালয়সমূহত শিক্ষকসকলে একে লগে শিক্ষাৰ বৃহৎ লক্ষ্যৰ পৰিপ্ৰেক্ষিতত শিক্ষাদান কাৰ্য সম্পাদন কৰে। বিদ্যালয় ব্যৱস্থাত শিক্ষকে শিশুৰ সবাংগীন বিকাশত এক গুৰুত্বপূৰ্ণ কেন্দ্ৰীয় ভূমিকা গ্ৰহণ কৰে। বিভিন্ন কমিতি আৰু আয়োগে বিভিন্ন সময়ত এই দিশটোৰ পেৰত গুৰুত্ব আৰোপ কৰি আহিছে। এজন শিক্ষকে বিদ্যালয়ৰ পটভূমিত বিভিন্ন প্ৰয়োজন আৰু চাহিদাসমূহৰ লগত সংগতি ৰাখি নিজক প্ৰস্তুত কৰিব লাগে। বিদ্যালয়, জ্ঞান আহৰণ, শিক্ষাৰ্থী আৰু শিক্ষা-প্ৰক্ৰিয়া সংক্ৰান্ত বিষয়সমূহ সামগ্ৰিকভাৱে বিচাৰ কৰি চাব লাগে। সমাজৰ ব্যাপক সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিবৰ্তনসমূহৰ প্ৰতি এজন শিক্ষক সংবেদনশীল হ'ব লাগে। আপুনি নিশ্চয় নিজে এজন ভাল শিক্ষক হ'বলৈ বিচাৰে। শিক্ষা ব্যৱস্থাৰ এক অংগ হিচাবে শিক্ষকতাৰ বৃত্তিত আপুনি যোগদান কৰাৰ আগতে ইয়াৰ বিভিন্ন দিশসমূহৰ লগত আপুনি পৰিচিত হোৱাৰ প্ৰয়োজন।

## 6.1 শিকন উদ্দেশ্যাৱলী ঃ

এই গোটটো অধ্যয়নৰ অন্তত আপুনি—

- বিদ্যালয় ব্যৱস্থাত শিক্ষকৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব।
- এক বৃত্তি হিচাবে শিক্ষকতাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব।
- শিক্ষকৰ বৃত্তিগত বিকাশৰ আঁচনিসমূহ বৰ্ণনা কৰিব পাৰিব।
- সৰ্বশিক্ষা আঁচনিৰ অধীনত গ্ৰহণ কৰা শিক্ষক সম্পৰ্কীয় ব্যৱস্থাসমূহ আলোচনা কৰিব পাৰিব।
- শিক্ষক আৰু সমাজৰ পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।



টোকা

## 6.2 বিদ্যালয়ৰ পৰিবৰ্তিত পটভূমি আৰু শিক্ষকৰ বাবে প্ৰত্যাহ্বানসমূহ



> কাৰ্যাৱলী - **1**
>
> আপোনাৰ মা বা দেউতাই কেতিয়াবা তেখেতসকলৰ বিদ্যালয়ৰ অভিজ্ঞতাৰ কথা আপোনাক কয় নে? যদি কয় তেন্তে ইয়াক আপোনাৰ নিজৰ বিদ্যালয়ৰ অভিজ্ঞতাৰ লগত তুলনা কৰক। যদি কোৱা নাই তেন্তে জানিবলৈ বিচাৰক আৰু নিজৰ অভিজ্ঞতাৰ লগত তুলনা কৰক। এই ক্ষেত্ৰত আপুনি শিক্ষক-শিকন কৌশল, আন্তঃগাঁথনি আৰু বিদ্যালয়ৰ সামগ্ৰিক পৰিৱেশৰ ক্ষেত্ৰত কেনেধৰণৰ পাৰ্থক্য দেখিছে?

আপুনি আগৰ দিনৰ শিক্ষককেন্দ্ৰিক আৰু কঠোৰ অনুশাসনমূলক ব্যৱস্থাৰ দ্বাৰা পৰিচালিত শ্ৰেণী শিক্ষকৰ কথা নিশ্চয় শুনিছে। সেই সময়ত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকক ইমান ভয় কৰিছিল যে তেওঁলোকে শিক্ষক কোনো কথা সুধিবৰ বাবে সাহ কৰা নাছিল। এই শিক্ষা ব্যৱস্থাত বিষয়বস্তু বুজি পোৱাতকৈ স্মৰণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছিল। শ্ৰেণীসমূহ সম্পূৰ্ণ শিক্ষক নিয়ন্ত্ৰিত আছিল। কিন্তু আপোনালোকৰ দিনত শিক্ষকৰ প্ৰভাৱ কমি আহিছিল আৰু গণতান্ত্ৰিক নীতিত প্ৰাধান্য দিয়া হৈছিল। আপোনালোকে শিক্ষকক প্ৰয়োজন বোধে প্ৰশ্ন কৰিব পাৰিছিল আৰু স্বাধীনভাৱে বিভিন্ন সহ পাঠ্যক্ৰমিক কাৰ্যাৱলীসমূহৰ পৰিকল্পনা কৰিব পাৰিছিল।

### 6.2.1 বিদ্যালয় ব্যৱস্থাৰ পৰিবৰ্তন ঃ

স্বাধীনতা লাভৰ পিছৰ পৰাই বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট পৰিবৰ্তন সংঘটিত হৈছে। আপুনি নিশ্চয় জাতীয় শিক্ষা নীতিৰ বিষয়ে শুনিছে। ইয়াৰ দ্বাৰা আমাৰ দেশত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ লক্ষ্যত উপনীত হ'বৰ বাবে আগবাঢ়ি যাবলৈ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। 1980 চনৰ পৰা 1990 চনৰ ভিতৰত সকলোকে শিক্ষাৰ সুযোগ



টোকা

প্ৰদানৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছিল। উদাহৰণ স্বৰূপে অপাৰেচন ব্লক বোৰ্ড (OBB), শিক্ষাকৰ্মী প্ৰজেক্ট (SKP) অন্ধ্ৰপ্ৰদেশ প্ৰাইমেৰী শিক্ষাকৰ্মী প্ৰজেক্ট (APPEP), বিহাৰ শিক্ষা প্ৰজেক্ট (BSP), উত্তৰ প্ৰদেশ বেচিক এডুকেচন প্ৰজেক্ট (UPBEO), মহিলা সমীক্ষা (MS), লোক জমি প্ৰজেক্ট, (LJP) ইত্যাদি। সেইদৰে নব্বৈৰ দশকত জিলা প্ৰাথমিক শিক্ষা আঁচনি (DPEP)ৰ দ্বাৰা 12 খন ৰাজ্যৰ 72 খন জিলাত সকলোৰে বাবে শিক্ষাৰ ব্যৱস্থা কৰাত গুৰুত্ব দিয়া হৈছিল। এই আঁচনিৰ মুখ্য উদ্দেশ্য হৈছে দেশৰ প্ৰাথমিক শিক্ষাক শিশুকেন্দ্ৰিক ৰূপত গঢ় দি সকলোকে ইয়াৰ অন্তৰ্ভুক্ত কৰা। 2002 চনত প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ বাবে গুৰুত্বপূৰ্ণ আঁচনি হিচাপে সৰ্বশিক্ষা অভিযান আঁচনি গ্ৰহণ কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল শিক্ষাৰ সাৰ্বজনীন সুযোগ প্ৰকাশ আৰু সংৰক্ষণত লিংগ বৈষম্য দূৰ কৰা, সামাজিক শ্ৰেণী ভিত্তিক বৈষম্য দূৰ কৰা আৰু শিশুসকলৰ শিকনৰ মাত্ৰাৰ উন্নতি কৰা। সৰ্বশিক্ষা অভিযানৰ এই লক্ষ্যসমূহ বাস্তৱায়িত কৰিবৰ বাবে এই আঁচনিত বিদ্যালয় আৰু শিক্ষক উভয়ে গ্ৰহণ কৰিবলগীয়া বিভিন্ন ব্যৱস্থাৰ নিৰ্দেশ দিয়া হৈছিল। আপুনি বাৰু এই ক্ষেত্ৰত গ্ৰহণ কৰা আন এক ঐতিহাসিক ব্যৱস্থাৰ যি প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত এক বিপ্লৱৰ সৃষ্টি কৰিছিল, তাৰ নাম অনুমান কৰিব পাৰিছেনে? এই ব্যৱস্থা হৈছে শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন। আপুনি এই বিষয়ে ইতিমধ্যে অধ্যয়ন কৰিছেই।

এই ব্যৱস্থাসমূহ গ্ৰহণ কৰাৰ ফলত প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত নামভৰ্তিৰ হাৰ বৃদ্ধি হৈছে। 5-14 বছৰ বয়সলৈ 82 শতাংশ হৈছে গৈ। কিন্তু দুৰ্ভাগ্যবশতঃ শিশুকেন্দ্ৰিক ব্যৱস্থা লোৱা সত্ত্বেও ইয়াৰে 50 শতাংশ শিশুৱে অষ্টম শ্ৰেণী পোৱাৰ আগতেই বিদ্যালয় ত্যাগ কৰে। ইয়াৰ লগতে বৰ্তমান এই কথাও স্বীকাৰ কৰি লোৱা হৈছে যে বৰ্তমান বিদ্যালয় শিক্ষা ব্যৱস্থাই শিশুসকলৰ ওপৰত অধিক চাপ আৰু বোজাৰ সৃষ্টি কৰিছে। ইয়াৰ কাৰণ মুখ্য হৈছে পাঠ্যক্ৰমৰ সংগঠন আৰু পৰিৱেশ। উদাহৰণস্বৰূপে শিশুৰ ব্যক্তিগত আৰু সামাজিক পাৰিপাৰ্শ্বিক অৱস্থাৰ মাজৰ সামঞ্জস্যহীনতা। আনহাতেদি শিক্ষাৰ্থীৰ বাবে শিকন কাৰ্যক আনন্দময় কৰাৰ ক্ষেত্ৰত শিক্ষকসকলৰ দক্ষতাৰ অভাৱ দেখা যায় আৰু শিশুৰ চাহিদা অনুযায়ী শিক্ষণ কাৰ্য পৰিচালনা কৰাৰ ক্ষেত্ৰত তেওঁলোক ব্যৰ্থ। সৰ্বশিক্ষা আঁচনিৰ অধীনত বিদ্যালয় শিক্ষাৰ উল্লেখনীয় সম্প্ৰসাৰণ ঘটিছে যদিও গুণগত মানৰ ক্ষেত্ৰত এখন সন্তোষজনক ছবি ৰাখিবলৈ পোৱা নাযায়। আপুনি আপোনাৰ এলেকাত অপৰিকল্পিতভাৱে যধেমধে গঢ়ি উঠা ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহ দেখিছেনে? ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ নামত এই বিদ্যালয়সমূহে অভিভাৱকসকলক সততে প্ৰলোভিত কৰে। এই বিদ্যালয়সমূহে শিক্ষাৰ্থীক নিম্নমানদণ্ডযুক্ত শিক্ষা প্ৰদান কৰে।

এজন শিক্ষক হিচাবে বিদ্যালয় পৰিৱেশত আপুনি কেতিয়াবা কোনো প্ৰত্যাহ্বান অনুভৱ কৰিছে নে? আমি সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ এখন তালিকা প্ৰস্তুত কৰক।

## 6.2.2. শিক্ষকৰ বাবে প্ৰত্যাহ্বানসমূহ ঃ

প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণে শিক্ষকৰ বাবে অনেক প্ৰত্যাহ্বানৰ সৃষ্টি কৰি

আহিছে। এই ক্ষেত্ৰত সম্পূৰ্ণ নামভৰ্তিকৰণ আৰু সংৰক্ষণ আজিও সম্ভৱ হৈ উঠা নাই। ইয়াৰ লগতে প্ৰাথমিক শিক্ষাৰ গুণগত দিশটো এক গুৰুত্বপূৰ্ণ বিচাৰ্য বিষয়। এজন শিক্ষকৰ শিক্ষণ দক্ষতাৰ লগতে সমাজৰ লগত আন্তঃক্ৰিয়া আৰু সম্পৰ্কৰ প্ৰয়োজন হয় ইযাতে চুবুৰীয়া অঞ্চলৰ সকলো ল'ৰা-ছোৱালী বিদ্যালয়লৈ আহে। সৰ্বশিক্ষা অভিযান আৰু শিক্ষাৰ অধিকাৰ আইনত কোৱা হৈছে বিদ্যালয়ৰ সংগঠনৰ সম্পূৰ্ণ পৰিচালনাৰ দায়িত্ব শিক্ষকসকলৰ। তেওঁলোকে নিৰ্ধাৰিত সময়ত পাঠ্যক্ৰম সম্পূৰ্ণ কৰিব লাগে আৰু সামগ্ৰিক মূল্যায়ন ব্যৱস্থাৰ পৰিচালিত কৰিব লাগে। বিদ্যালয়ৰ পৰিচালনা কমিতিৰ সদস্য হিচাবে শিক্ষকসকলে সমাজৰ সদস্যসকলৰ লগত সম্পৰ্ক ৰক্ষা কৰি চলিব লাগে। তেওঁলোকে অভিভাৱক সভাৰ আয়োজন কৰি তেওঁলোকক শিক্ষাৰ্থীৰ উন্নয়নৰ বিষয়ে অৱগত কৰিব লাগে আৰু তেওঁলোকক শিক্ষাৰ্থীৰ বৃদ্ধি আৰু বিকাশ প্ৰক্ৰিয়াৰ লগত জড়িত কৰিব লাগে। গতিকে পুৰণি শিক্ষা ব্যৱস্থাৰ তুলনাত বৰ্তমান এজন শিক্ষকৰ ভূমিকা অধিক সামগ্ৰিক বিধৰ। শিক্ষাৰ অধিকাৰ আইনে শিশুৰ সম্ভাৱনীয়তা আৰু যোগ্যতা সমূহ চিনাক্ত কৰিব শিশুৰ সৰ্বাংগীন বিকাশত গুৰুত্ব আৰোপ কৰে। বৰ্তমান এই দিশসমূহৰ আৱিষ্কাৰ আৰু অন্বেষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰি শিশুকেন্দ্ৰিক শিক্ষাত গুৰুত্ব আৰোপ কৰা হয়। ৰবীন্দ্ৰ নাথ ঠাকুৰে কোৱা — 'য'ত মন ভয় যুক্ত হয়'— এই কথাষাৰ বিদ্যালয়ৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব লাগে। বিদ্যালয় পৰিৱেশত শিশুৱে মুক্তভাৱে নিজৰ মত প্ৰকাশৰ বাবে বিদ্যালয় পৰিৱেশ শিশুৰ বাবে মানসিক চাপ — আৰু দুঃচিন্তামুক্ত হ'ব লাগে। শিক্ষাৰ মাধ্যম যতদূৰ সম্ভৱ মাতৃভাষা হ'ব লাগে।

আপুনি নিশ্চয় এই কথাত একমত হ'ব যে সকলো স্তৰৰ শিক্ষকৰ চাকৰিৰ পূৰ্বকালীন আৰু চাকৰিকালীন প্ৰশিক্ষণৰ ক্ষেত্ৰত বৃত্তিমূলক বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে। NCF-2005ত শিক্ষণ-শিকনত সংগঠনবাদৰ ওপৰত গুৰুত্ব দিয়া হৈছে। সেইবাবে শিশুৰ শিকন কাৰ্যত জ্ঞানৰ সংগঠনত আৰু অৰ্থলাভত সহায় কৰিবৰ বাবে শিক্ষকে এজন সহায়কাৰীৰ ভূমিকা গ্ৰহণ কৰিব লাগে। এই ক্ষেত্ৰত শিক্ষক হৈছে শিক্ষাৰ্থীৰ লগত এজন সহযোগী জ্ঞানৰ সংগঠনকাৰী। এই ক্ষেত্ৰত শিক্ষক শিক্ষাৰ্থীৰ শিকন-অভিজ্ঞতাৰ প্ৰতি সংবেদনশীল হোৱাৰ লগতে তেওঁলোকে লাভ কৰা শিকন অভিজ্ঞতা তেওঁলোকে গৃহ পৰিৱেশত, সমাজত আৰু সাংস্কৃতিক পৰিৱেশত লাভ কৰা অভিজ্ঞতাৰ লগত সম্পৰ্কিত কৰিব লাগে। ইয়াৰ লগতে শিক্ষকে শিশুসকলক আৱিষ্কাৰ কৰাৰ, শিকাৰ আৰু বিকাশৰ সুযোগ প্ৰদান কৰিব লাগে।

গতিকে এজন শিক্ষকে এহাতে পাঠ্যক্ৰমৰ বিষয়বস্তু আৰু শিক্ষাদান পদ্ধতি সম্পৰ্কে জ্ঞাত হ'ব লাগে আৰু আনহাতেদি সমাজ আৰু বিদ্যালয়ৰ সংগঠন আৰু পৰিচালনাৰ লগতো পৰিচিত হ'ব লাগে। শিক্ষা যান্ত্ৰিকভাৱে জ্ঞানৰ বিকিৰণৰ প্ৰক্ৰিয়া নহয়। সেইদৰেই শিক্ষকো কেৱল জ্ঞান প্ৰদানকাৰী নহয় যি শিক্ষক হৈছে এনে এক মাধ্যম পাঠ্যক্ৰমৰ বিষয়বস্তু প্ৰদানৰ লগতে শিক্ষাৰ্থীৰ লগত সহযোগিতা প্ৰদান কৰি একে লগে জ্ঞানৰ সংগঠন কৰে। শিক্ষাৰ্থীৰ শিকন শ্ৰেণীকক্ষৰ চাৰি বেৰাৰ মাজত আবদ্ধ নহয়। সেইবাবে বিদ্যালয়ত লাভ কৰা জ্ঞান বিদ্যালয়ৰ বাহিৰৰ জীৱনৰ লগত সম্পৰ্কিত


টোকা

হ'ব লাগে আৰু ইয়াৰ বাবে পাঠ্যক্ৰম অতি কম পৰিমাণেহে পুথিকেন্দ্ৰিক হ'ব লাগে।

**আপোনাৰ অগ্ৰগতিৰ বুজ লওঁক - 1**

**তলৰ খালী ঠাইত উত্তৰ লিখক ঃ**

**ভুল/শুদ্ধ লিখক**

1. শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন 3 বছৰৰ পৰা 14 বছৰ বয়সৰ শিশুৰ বাবে

..........................................................................................................

..........................................................................................................

..........................................................................................................

2. সংগঠনবাদত শিক্ষকে শিক্ষাৰ্থীক ধাৰণা গঠনত সহায় কৰে।

..........................................................................................................

..........................................................................................................

..........................................................................................................

3. প্ৰাথমিক শিক্ষাৰ গুণগত মান উন্নয়ন কেৱল এচ এম চিৰ ওপৰত নিৰ্ভৰ কৰে, শিক্ষকৰ ওপৰত নহয়

..........................................................................................................

..........................................................................................................

এতিয়া আমি প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰণৰ লক্ষ্যত উপনীত হ'বৰ বাবে সৰ্বশিক্ষা অভিযানত গ্ৰহণ কৰা ব্যৱস্থা সমূহৰ বিষয়ে আলোচনা কৰো আহক—

## 6.3 বিদ্যালয় ব্যৱস্থাৰ বিকাশৰ বাবে সৰ্বশিক্ষা অভিযানৰ ব্যৱস্থাসমূহ ঃ

**কাৰ্যাৱলী- 2 ঃ**

আপোনাৰ বিদ্যালয়ত থকা বিভিন্ন ব্যৱস্থাসমূহৰ এখন তালিকা প্ৰস্তুতকৰক আৰু আপোনাৰ দিনৰ স্কুলত থকা ব্যৱস্থাসমূহৰ লগত তুলনা কৰক।

আপোনাৰ তালিকাখনত আপুনি বিদ্যালয়ৰ দূৰত্ব। বিদ্যালয়ত শ্ৰেণীকোঠাৰ সংখ্যা খোৰাপানীৰ ব্যৱস্থা ইত্যাদি অনেক পাৰ্থক্যসূচক দিশ দেখিবলৈ পাব। আপুনি এই কথা নিশ্চয় উপলব্ধি কৰিছে যে বিদ্যালয় শিক্ষাত সমতা, সুযোগ আৰু গুণগত মান উন্নয়নৰ বাবে সৰ্বশিক্ষা অভিযান আঁচনিৰ অধীনত অনেক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই বিষয়ে আপুনি আগৰ গোটত অধ্যয়ন কৰিছে। সকলো শিশুৱে উৎকৃষ্ট শিক্ষাৰ ন্যূনতম সা-সুবিধাসমূহ লাভ কৰিব লাগে আৰু এই ক্ষেত্ৰত বিভিন্ন ব্যক্তিৰ যৌথ প্ৰচেষ্টাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। বিদ্যালয় ব্যৱস্থাৰ উন্নয়নৰ বাবে সৰ্বশিক্ষা আঁচনিৰ অধীনৰ বিভিন্ন ব্যৱস্থাসমূহ তলত উল্লেখ কৰা হ'ল—


টোকা



- ৰাষ্ট্ৰই বাসস্থানৰ পৰা প্ৰতি 1 কিলোমিটাৰ দূৰত্বত একোখন স্কুল থকাটো নিশ্চিত কৰিব লাগে আৰু প্ৰয়োজনবোধে নতুন বিদ্যালয় স্থাপন কৰিব লাগে। দুবছৰ কৃতকাৰ্যতাৰে পৰিচালিত হোৱাৰ পিছত EGS কেন্দ্ৰসমূহ বিদ্যালয়লৈ উন্নীতকৰণ কৰিব লাগে।
- প্ৰতি দুখন প্ৰাথমিক স্কুলৰ বাবে এখন উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ব্যৱস্থাকৰণ।
- প্ৰতিখন প্ৰাথমিক বিদ্যালয়ত অতি কমেও দুজন শিক্ষক আৰু বাৰাণ্ডাসহ দুটা শ্ৰেণীকোঠা থাকিব লাগিব। সম্ভৱ হ'লে প্ৰাথমিক আৰু উচ্চপ্ৰাথমিক বিদ্যালয়ৰ প্ৰতিজন শিক্ষকৰ বাবে একোটা শ্ৰেণীকোঠাৰ ব্যৱস্থা থাকিব লাগে। বিদ্যালয়ৰ কাম-কাজ পৰিচালনাৰ বাবে প্ৰধান শিক্ষকৰ বাবে এটা আচুতীয়া কোঠা থাকিব লাগে।
- পাঠ্যপুথিসমূহ সকলো স্তৰৰ শিক্ষাৰ ক্ষেত্ৰতেই অতি গুৰুত্বপূৰ্ণ। প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক স্তৰৰ অন্তৰ্ভুক্ত ছোৱালী/অনুসূচিত জাতি/অনুসূচিত জনজাতিৰ শিশুসকলৰ প্ৰতিজনকে সৰ্বাধিক 150 টকা মূল্যৰ বিনামূলীয়া কিতাপ যোগান ধৰিব লাগে। ৰাষ্ট্ৰি বৰ্তমান যোগান ধৰি থকা আঁচনিৰ দৰেই এই বিনামূলীয়া পাঠ্যপুথি যোগান আঁচনি চলাই থাকিব লাগে।
- প্ৰাথমিক স্তৰৰ শিশুসকল সংজ্ঞানাত্মক বিকাশৰ দিশৰ পৰা 'মূৰ্ত কাৰ্যকৰী স্তৰ'ৰ অন্তৰ্ভুক্ত। সেইবাবে এই শিশুসকলৰ মনত ধাৰণাৰ বিকাশৰ বাবে বিচাৰ কৰিবলৈ শিক্ষণ-শিকন আহিলা অত্যাৱশ্যকীয়। সেইবাবে শিশুৰ শিক্ষাৰ বাবে শিক্ষণ শিকন সামগ্ৰীসমূহৰ ব্যৱস্থা কৰিব লাগে। (TLE)
- এই শিক্ষণ-শিকন আহিলাসমূহ (TLE)স্থানীয় পটভূমি আৰু প্ৰয়োজন বিচাৰ কৰি ব্যৱহাৰৰ ব্যৱস্থাৰ কৰিব লাগে। সৰ্বশিক্ষা অভিযান আঁচনিত প্ৰতিখন স্কুলৰ বাবে TLEৰ বাবে 10,000 টকা নিৰ্বাচন কৰা হৈছে। এই আহিলাসমূহ শিক্ষক, পিতৃ-মাতৃ আৰু VEC/SMCৰ দ্বাৰা আহৰণ বা সংগ্ৰহ কৰা হ'ব। যেনে - গাঁও পৰ্যায়ৰ উপযুক্ত অনুষ্ঠানক ইয়াৰ সংগ্ৰহৰ উপযুক্ত ব্যৱস্থা গ্ৰহণৰ আৰু এই ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণৰ দায়িত্ব দিব লাগে। আপুনি এই কথা জানিব পাৰিছে যে সমাজ আৰু শিক্ষকে বিদ্যালয় আৰু স্থানীয় অঞ্চলত শিক্ষাৰ বিকাশৰ বাবে যৌথভাৱে সহযোগিতাৰে কাম কৰিব লাগে। যিহেতু উচ্চ প্ৰাথমিক স্তৰৰ প্ৰয়োজনীয়তা বেছি, সেইবাবে এই স্তৰৰ (TLE)ৰ বাবে নিৰ্ধাৰিত অনুদানন 50,000 টকা। এই ক্ষেত্ৰতো শিক্ষক/বিদ্যালয় সমিতিয়ে স্থানীয় প্ৰয়োজন অনুযায়ী সিদ্ধান্ত গ্ৰহণ কৰিব লাগে। যদি বিদ্যালয় কমিতিয়ে কোনো TLM চহৰৰ পৰা বা দূৰৰ ঠাইৰ পৰা কিনিব খোজে, তেন্তে জিলাভিত্তিক ইয়াক সংগ্ৰহৰ ব্যৱস্থা কৰিব লাগে।
- বিদ্যালয়ত বিদ্যালয় গৃহৰ প্ৰয়োজন। বিদ্যালয় গৃহৰ নিৰ্মাণ ব্যয় নিয়ন্ত্ৰণ কৰিবৰ বাবে সৰ্বশিক্ষা অভিযানৰ 33 শতাংশ ধন বিদ্যালয়ৰ সা-সুবিধাৰ উন্নতকৰণ আৰু BRC/CRCৰ নিৰ্মাণৰ বাবে প্ৰদান কৰা হ'ব। যিবিলাক বিদ্যালয়ত ইতিমধ্যে CRC আছে সেই বিদ্যালয়সমূহে ইয়াক এটা অতিৰিক্ত কোঠা নিৰ্মাণৰ বাবে ব্যয় কৰিব



টোকা

পাৰিব। মেৰামতি আৰু অফিচ ৰুম নিৰ্মাণৰ বাবে কোনো ধন দিয়া নহ'ব। আন্তঃগাঁথনিৰ পৰিকল্পনাসমূহ জিলা ভিত্তিকভাৱে কৰা হ'ব যাতে সম্পদৰ পূৰ্ণ পৰিকল্পনাৰ বাবে বিশেষজ্ঞৰ পৰামৰ্শ লাভ কৰিব পৰা যায়।

- ধনৰ অপব্যৱহাৰ ৰোধ কৰিবৰ বাবে গৃহ নিৰ্মাণৰ লগতে বিদ্যালয়ৰ মেৰামতিৰ ক্ষেত্ৰত সমাজৰ সহযোগিতা গ্ৰহণ কৰিব লাগে। এই কামসমূহ SMC/VECৰ দ্বাৰা কৰিব লাগে। এই ক্ষেত্ৰত সৰ্বশিক্ষা অভিযানত বিদ্যালয় সমিতিৰ বিশেষ প্ৰস্তাৱ অনুযায়ী সৰ্বাধিক 5000 টকা অনুদান দিয়াৰ ব্যৱস্থা কৰা হৈছে।
- আহিলাপাতিৰ মেৰামতিৰ বাবে শিক্ষক/বিদ্যালয়ক অনুদান প্ৰদান কৰিব লাগে। প্ৰতি বছৰে প্ৰতি প্ৰাথমিক/উচ্চ প্ৰাথমিক বিদ্যালয়ত এই ক্ষেত্ৰত 2000 টকা দিয়া হচব আৰু এই টকা VEC/SMC সমূহে ব্যৱহাৰৰ স্বচ্ছতা ৰাখি ব্যয় কৰিব লাগে সেইদৰেই শিক্ষকসকলক প্ৰতি শৈক্ষিক বছৰত দিয়া বাৰ্ষিক 500 টকাৰো ব্যৱহাৰৰ ক্ষেত্ৰত সচ্ছতা ৰক্ষা কৰিব লাগে।
- সৰ্বশিক্ষা শিক্ষা অভিযানত প্ৰতিবন্ধী শিশুসকলৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। এই প্ৰতিবন্ধী শিশুসকলক সমন্বিত কৰিবৰ বাবে প্ৰতিটো শিশুৰ বাবে 1200 টকা নিৰ্ধাৰণ কৰা হৈছে। জিলা স্তৰৰ আন অনুষ্ঠান আৰু সম্পদ অনুষ্ঠানক এই শিশুসকলক শিক্ষাৰ লগত জড়িত কৰিবৰ বাবে উৎসাহিত কৰিব লাগে।

জাতীয় জ্ঞান আয়োগ (NKC)য়ে কৈছে যে শিক্ষকসকল বিদ্যালয় ব্যৱস্থাৰ অন্যতম গুৰুত্বপূৰ্ণ উপাদান। আমাৰ দেশত শিক্ষাৰ সকলো স্তৰতে উপযুক্ত যোগ্যতা সম্পন্ন আৰু শিক্ষাদানৰ বাবে অভিৰোচিত শিক্ষকৰ অভাৱ। বৰ্তমান সমাজত ব্যাপকভাবে পৰিলক্ষিত হোৱা সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিবৰ্তন সমূহৰ পৰিপ্ৰেক্ষিতত বিদ্যালয় শিক্ষাৰ সামগ্ৰিক ক্ষেত্ৰত শিক্ষকৰ কাৰ্যাৱলীৰ পৰিৱৰ্তন ঘটিছে।

আমি এই ক্ষেত্ৰত শিক্ষক আৰু তেওঁলোকৰ বৃত্তিগত বিকাশৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে শিক্ষকতা বৃত্তিৰ বিশেষ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰি লওঁ আহক।

## 6.4 এক বৃত্তি হিচাবে শিক্ষকতা

শিক্ষকৰ বৃত্তিগত বিকাশত ভাৰতবৰ্ষকে ধৰি বিশ্বৰ সকলো দেশতে বিশেষ মনোযোগ প্ৰদান কৰা হয়। শিক্ষকৰ বৃত্তিগত বা পেছাগত বিকাশৰ বিষয়ে আলোচনা কৰাৰ আগতে 'বৃত্তি' বা 'পেছা' বুলিলে কি বুজা যায় সেই সম্পৰ্কে আলোচনা কৰো আহক 'বৃত্তি' বা 'পেছা' হৈছে এনে এক জীৱিকা যাৰ বাবে বিশেষ দক্ষতাৰ প্ৰয়োজন আৰু ইয়াৰ যোগেদি আনৰ বাবে সেৱা আগবঢ়োৱা হয়। এই সেৱাৰ বিনিময়ত কোনো দৰমহা পাব পৰা যায় অথবা দৰমহা নাপাবও পাৰে, কিন্তু ইয়াৰ উদ্দেশ্য হৈছে মানৱ সেৱা। সেইবাবে কোনো বৃত্তিক মহান বৃত্তি বুলি কোৱা হয়। কোনো এটা বৃত্তি ব্যক্তিগতভাৱে স্বতন্ত্ৰভাৱে বা কোনো অনুষ্ঠানত এটা দলৰ অংশ হিচাবে গ্ৰহণ কৰিব পৰা যায়। বৃত্তি হিচাবে শিক্ষকতাৰ কেইটামান উল্লেখনীয় বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল—

(ক) ইয়াৰ লগত কিছুমান বিশেষীকৃত দক্ষতা আৰু কৌশল জড়িত হৈ থাকে। ই

টোকা

কেৱল পাঠ্যক্রমৰ বিষয়বস্তু প্রদান কার্য নহয়। শিক্ষণৰ লগত শিক্ষার্থীৰ সফল শিকনৰ বাবে সাৰধানতাৰে প্রস্তুত কৰা পৰিকল্পনা আৰু ব্যৱস্থাপনা কার্য জড়িত হৈ থাকে। যদিও সাধাৰণতে শিক্ষণক এক সাধাৰণ বা সৰল কার্য বুলি ধাৰণা কৰা হয়। কিন্তু শিক্ষণ কার্যৰ কৃতকার্যতাৰ লগত বিশ্লেষণ, সংশ্লেষণ ইত্যাদি বিজ্ঞানসন্মত প্রক্রিয়া জড়িত হৈ থাকে।

(ক) এটা বৃত্তিৰ কৃতকার্যতাৰ বাবে ইয়াৰ লগত কিছুমান নীতিমূলক বিধি জড়িত হৈ থাকে। এক মহান বৃত্তি হিচাবে শিক্ষকতাৰ বৃত্তিৰ লগত এক মূল্যবোধৰ প্রক্রিয়া সমন্বিত হৈ থাকে শিক্ষকতা এক পৰহিতকাৰী বা কল্যাণকাৰী সেৱা হিচাবে বিবেচিত।

(খ) এটা বৃত্তিৰ অন্তর্ভুক্ত ব্যক্তিসকল এটা সুনির্ধাৰিত দলৰ সদস্য হ'ব লাগে। এই দলে বা সংগঠনে সদায় নিজৰ দলৰ স্বার্থত কাম কৰে আৰু দলীয় স্বার্থ সুৰক্ষিত কৰে।

(ঙ) একোটা বৃত্তি সদায় সমাজ সেৱাৰ লগত জড়িত। বৃত্তিমূলক সেৱা বিনামূলীয়া নহ'লেও ইয়াৰ প্রকৃত উদ্দেশ্য হৈছে সমাজৰ প্রগতি আৰু বিকাশ।

(চ) প্রত্যেক বৃত্তিৰেই নিজা এটা বৃত্তিভিত্তিক সংগঠন থাকে।

(ছ) প্রতি বৃত্তিৰ লগত এক সুশৃংখলিত জ্ঞানৰ ক্ষেত্র জড়িত হৈ আছে। এই জ্ঞান সামাজিক, মনোবৈজ্ঞানিক, ঐতিহাসিক, ৰাজনৈতিক আৰু অর্থনৈতিক ক্ষেত্রৰ পৰা আহৰিত। এই বিলাকৰ বাহিৰেও দার্শনিক ধর্মীয় আৰু আধ্যাত্মিক বিশ্বাসসমূহেও এক বৃত্তি হিচাবে শিক্ষকক প্রভাৱিত কৰে।

যিকোনো এটা বৃত্তি জীয়াই থাকিবলৈ ইয়াৰ বৃদ্ধি বা উন্নতকৰণ অপৰিহার্য। এই কথা শিক্ষকতা বৃত্তিৰ লগতো প্রযোজ্য। এক বৃত্তি হিচাপে শিক্ষকতা এক বিকাশশীল বৃত্তি কাৰণ গৱেষণাৰৰ দ্বাৰা শিক্ষকতাৰ লগত জড়িত নতুন নতুন জ্ঞানৰ ক্ষেত্রত জ্ঞানৰ ধাৰাবাহিক সংযোজন সংঘটিত হৈ আছে। বর্তমান শিক্ষাদান কার্যৰ বিষয়ে গৱেষণাৰ ক্ষেত্রখন যথেষ্ট সংক্রিয়। এজন ব্যক্তিয়ে শিক্ষকতা বৃত্তিত প্রৱেশ কৰা আগতে উপযুক্ত প্রশিক্ষণ লাভ কৰা উচিত। এইদৰে প্রৱেশৰ আগতে লাভ কৰা প্রশিক্ষণক নিয়োগৰ পূর্বকালীন প্রশিক্ষণ বুলি কোৱা হয়। সেইদৰেই নিযুক্তি প্রাপ্তিৰ পিছত শিক্ষণৰ ক্ষেত্রত শেহতীয়া উদঘাটন সমূহৰ লগত পৰিচিত হৈ বৃত্তিগত বিকাশৰ বাবে প্রাপ্ত প্রশিক্ষণক চাকৰিকালীন প্রশিক্ষণ বুলি কোৱা হয়। শিক্ষকৰ বৃত্তিগত বিকাশ (চাকৰিকালীন)ৰ বিষয়ে আলোচনা কৰাৰ আগতে এতিয়া আমি শিক্ষা ব্যৱস্থাত শিক্ষকৰ ভূমিকা সম্পর্কে আলোচনা কৰো আহক।

**আপোনাৰ অগ্রগতিৰ বুজ লওঁক- 2**

তলৰ প্রশ্নসমূহৰ নির্ধাৰিত খালী ঠাইত উত্তৰ লিখক ঃ

তলৰ কোনবোৰ শিক্ষকতা বৃত্তিৰ বৈশিষ্ট্য নহয়? শুদ্ধ উত্তৰত 'y' আৰু ভুল উত্তৰৰ ক্ষেত্রত 'n' লিখি উত্তৰ দিয়ক।

1. ইয়াৰ লগত বিশেষীকৃত দক্ষতা আৰু প্রশিক্ষণ জড়িত।
2. এই ক্ষেত্রত গৱেষণা কার্যৰ কোনো গুৰুত্ব নাই।



টোকা

3. শিক্ষাদানত গুণগত বিজ্ঞানসন্মত পদ্ধতি জড়িত।
4 মূল্যবোধ এই বৃত্তিৰ অবিচ্ছেদ্য অংগ।
5. ইয়াক ব্যক্তিগত আৰু স্বতন্ত্ৰভাৱে গ্ৰহণ কৰিব নোৱাৰি।

## 6.5 শিক্ষা ব্যৱস্থাত শিক্ষকৰ ভূমিকা ঃ

শিক্ষা আয়োগ (1964-66) ৰ প্ৰতিবেদনত এই কথা উল্লেখ কৰা হৈছে যে 'এতিয়া ভাৰতৰ ভাগ্য শ্ৰেণীকক্ষসমূহত গঢ় লৈ আছে।' একে ধৰণৰেই জাতীয় শিক্ষানীতি (1986)ত এই কথা কোৱা হৈছে যে 'শিক্ষকৰ স্থানে এখন সমাজৰ সামাজিক-সাংস্কৃতিক দৃষ্টিভংগী প্ৰতিফলিত কৰে, এই কথা কোৱা হয় যে কোনো ব্যক্তিয়েই শিক্ষকসকলৰ স্থানৰ ওপৰলৈ যাব নোৱাৰে।' এই উক্তিসমূহে জ্ঞানৰ অন্বেষণ প্ৰক্ৰিয়াত জ্ঞানৰ প্ৰেৰক, জ্ঞান আহৰণত উৎসাহ প্ৰদান কাৰী আৰু সহায়কাৰী হিচাবে এজন শিক্ষকৰ গুৰুত্বপূৰ্ণ ভূমিকাক প্ৰতিফলিত কৰিছে। শিক্ষা ব্যৱস্থাত শিক্ষকে কেন্দ্ৰীয় ভূমিকা গ্ৰহণ কৰিলেও এক বৃত্তি হিচাবে ইয়াৰ বিকাশ আজি যথেষ্ট পিছ পৰি আছে। বহুদিন আগতে 1948-49 চনত বিশ্ববিদ্যালয় আয়োগে প্ৰকাশ কৰিছিল যে 'শিক্ষা দান যে এক বৃত্তি আৰু আন বৃত্তিৰ দৰেই ইয়াৰ বাবে যে ব্যাপক প্ৰস্তুতিৰ প্ৰয়োজন এই কথা আমাৰ দেশৰ মানুহে বুজি পোৱাৰ ক্ষেত্ৰত যথেষ্ট পিছ পৰি আছে।' এই উক্তি আজিও আমাৰ শিক্ষা ব্যৱস্থাত প্ৰযোজ্য। দেশৰ বিদ্যালয় ব্যৱস্থাত দক্ষ শিক্ষকৰ গুৰুত্ব আমি কোনো ক্ষেত্ৰতেই নুই কৰিব নোৱাৰো। শিক্ষাৰ্থীৰ পাৰদৰ্শিতাৰ গুণগত মান আৰু মাত্ৰা বিশেষভাৱে শিক্ষকৰ দক্ষতা সংবেদনশীলতা আৰু অভিৰোচনৰ ওপৰত নিৰ্ভৰ কৰে।

গতিকে আপুনি এই কথাত সহমত হ'ব যে শিক্ষকৰ শৈক্ষিক আৰু বৃত্তিমূলক মানদণ্ড বিদ্যালয় শিক্ষাৰ এক গুৰুত্বপূৰ্ণ উপাদান আৰু শিক্ষাৰ উদ্দেশ্যত উপনীত হোৱাৰ এক বিশেষ মাধ্যম। এই ক্ষেত্ৰত পূৰ্ব চাকৰিকালীন বা চাকৰিকালীন শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচীৰ উদ্দেশ্য হৈছে বৃত্তিগতভাৱে দক্ষ শিক্ষক প্ৰস্তুত কৰি তোলা। এটা জ্বলি থকা চাকিয়েহে আন এটা চাকি জ্বলাব পাৰে। এই কথা এজন শিক্ষকৰ অৰ্হতা বিশেষভাৱে প্ৰয়োজন। অৰ্থাৎ এজন শিক্ষকে প্ৰশিক্ষণৰ দ্বাৰা নিজকে সদায় জ্ঞানৰ পোহৰ বিলাবৰ বাবে প্ৰস্তুত কৰি ৰাখিব লাগিব। শিক্ষকে নিজৰ শিকন কাৰ্য চলাই নাথাকিলে তেওঁ আনক কেতিয়াও শিকাব নোৱাৰে। এজন শিক্ষকে শিক্ষা ব্যৱস্থাত বহুমুখী ভূমিকা গ্ৰহণ কৰিব লাগে। এতিয়া আমি এই বিষয়ে আলোচনা কৰো আহক।

### 6.5.1 শিক্ষকৰ বহুমুখী ভূমিকা

শিক্ষা ব্যৱস্থাত এজন শিক্ষকৰ ভূমিকা বহুমুখী। তেখেতে বিদ্যালয় আৰু স্থানীয় এলেকাক শিক্ষাদানৰ ক্ষেত্ৰত এজন পৰিচালক হিচাবে কাম কৰে। শিক্ষকৰ ভিন্নমুখী ভূমিকা সমূহ তলত উল্লেখ কৰা হ'ল।

- শ্ৰেণীকক্ষত শিক্ষকে এগৰাকী নিৰ্দেশক আৰু সহায়কাৰীৰ ভূমিকা গ্ৰহণ কৰে। NCF-2005 ৰ মতে শ্ৰেণীকক্ষত শিক্ষক এজন জ্ঞানৰ সংগঠক হোৱা উচিত।



টোকা

- শিক্ষণ-শিকন প্ৰক্ৰিয়াত শিক্ষকে সকলো কাৰ্যাৱলী পৰিচালকৰ দায়িত্ব গ্ৰহণ কৰে। এজন পৰিচালক হিচাবে শিক্ষকে শ্ৰেণীকক্ষৰ আৰু সমগ্ৰ বিদ্যালয়ৰ সকলো শৈক্ষিক কাৰ্যাৱলী সংগঠন কৰে। আপুনি শ্ৰেণীকক্ষত বা বিদ্যালয়ত এনে কাৰ্যাৱলীৰ কেতিয়াবা সংগঠন কৰিছে নে? ইয়াৰ বাবে আপোনাক কিমান বস্তু লাগিছিল? হয় আপোনাক বহু বস্তুৰ দৰকাৰ হৈছিল আৰু আপুনি ইয়াৰ সংগঠনৰ দায়িত্ব লৈছিল? কম সময়ৰ ভিতৰত বহু বস্তু লাগিছিল নেকি? আপুনি আন কাৰোবাক এই কাৰ্যাৱলী সমূহ পৰিচালনাৰ দায়িত্ব দিছিল নেকি? গতিকে এই ক্ষেত্ৰত ৰখা যায় যে এজন শিক্ষক হিচাবে আপুনি হাতত লোৱা কাম কৃতকাৰ্যতাৰে সম্পাদন কৰিবৰ বাবে শিক্ষাৰ্থী আৰু আন লোকসকলক পৰিচালনা কৰিব লাগে। তেওঁলোকৰ মাজত যোগাযোগ ৰক্ষা কৰিব লাগে আৰু উপযুক্ত নেতৃত্ব প্ৰদান কৰিব লাগে।
- এজন পৰামৰ্শদানকাৰী হিচাবে শিক্ষকে শিক্ষাৰ্থীক তেওঁলোকৰ সম্ভাৱনাসমূহৰ পূৰ্ণ প্ৰকাশত সহায় কৰিব লাগে। তেওঁলোকৰ অধ্যয়নৰ বিষয় আৰু বৃত্তি বাছনিৰ ক্ষেত্ৰত শুদ্ধ সিদ্ধান্ত গ্ৰহণত শিক্ষকে সহায় কৰিব লাগে। অৰ্থাৎ শিক্ষকে শিক্ষাৰ্থীসকলক তেওঁলোকৰ সমস্যাৰ পৰিপ্ৰেক্ষিতত নিৰ্ধাৰিত সমাধান সূত্ৰ প্ৰদান কৰাৰ বিপৰীতে নিজৰ সমস্যা সমাধানৰ দক্ষতা লাভত শিক্ষাৰ্থীক নিৰ্দেশনা প্ৰকাশ কৰিব লাগে। শিক্ষাৰ্থীয়ে নিজৰ সমস্যা সম্পৰ্কত শিক্ষকক বিশ্বাসত ল'বৰ বাবে এজন শিক্ষকৰ আচৰণ শিক্ষাৰ্থীসকলৰ প্ৰতি সহানুভূতিশীল আৰু অভিভাৱকত্বপূৰ্ণ হোৱা উচিত। ইয়াৰ উপৰিও তেওঁলোকৰ সমস্যা সম্পৰ্কে সংবেদনশীল সহমৰ্মী, বস্তুনিষ্ঠ আৰু পৰ্যবেক্ষণশীল হ'ব লাগিব। অজ্ঞানৰ পৰা জ্ঞানৰ যাত্ৰাত তেওঁ নেতৃত্ব দিব লাগে।
- শিক্ষকে বিদ্যালয় আৰু সমাজৰ মাজত এখন সেতুৰ কাম কৰে। বিদ্যালয় স্থানীয় সমাজৰ এক উপ-অংশ। ইয়াক বৃহত্তৰ সমাজৰ পৰা পৃথক কৰিব নোৱাৰে। RTE-আইনত সমাজ আৰু বিদ্যালয়ৰ এই সম্পৰ্কৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। বিদ্যালয় আৰু সমাজ উভয়ৰ উন্নতিৰ বাবে শিক্ষকে সমাজ আৰু বিদ্যালয়ৰ মাজৰ এক পাৰস্পৰিক সম্পৰ্কৰ গুৰুত্বৰ উপলব্ধি কৰিব লাগে। এখন বিদ্যালয়ে ইয়াৰ প্ৰয়োজনীয় বিভিন্ন সম্পদ সমাজৰ পৰা আহৰণ কৰে আৰু ইয়াৰ বিপৰীতে এখন সমাজৰ বিকাশ আৰু কৰ্মদ্যোম বিদ্যালয়ৰ ওপৰত নিৰ্ভৰ কৰে।
- এজন শিক্ষকে সমাজত এজন সামাজিক পৰিবৰ্তনকাৰীৰ ভূমিকাও গ্ৰহণ কৰিব লাগে। এই ভূমিকা বিদ্যালয়ত আৰম্ভ হয় আৰু ক্ৰমে বৃহত্তৰ সমাজলৈ বিস্তৃত হয়। নেহৰুৱে শিক্ষকসকলৰ দ্বাৰা প্ৰথমে শিশুসকলৰ মনত বিজ্ঞান মনস্কতাৰ সৃষ্টিৰ ওপৰত গুৰুত্ব দিছিল। NPEত এই কথাত গুৰুত্ব দিয়া হৈছে যে আমাৰ সংবিধানত সন্নিৱিষ্ট গণতন্ত্ৰৰ বিভিন্ন লক্ষ্যসমূহ বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত শিক্ষকৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। শিক্ষক হৈছে বিভিন্ন সামাজিক উদ্দেশ্য সমূহ শ্ৰেণীকক্ষত বাস্তৱলৈ ৰূপান্তৰিত কৰাৰ মূল ব্যক্তি বা মাধ্যম। শিক্ষকেই দেশৰ নতুন প্ৰজন্মক

জাতীয় আদৰ্শৰ গ্ৰহণৰ বাবে প্ৰস্তুত কৰি তোলে।

- এজন নেতা হিচাবে শিক্ষকে শ্ৰেণীকক্ষ বিদ্যালয় আৰু সমাজত নিৰ্দেশনা প্ৰদান কৰিব লাগে। এইক্ষেত্ৰত এজন শিক্ষকৰ নেতৃত্ব প্ৰদানৰ দক্ষতাৰ থকা উচিত। তেওঁ বিকাশৰ পথত সকলোকে আগুৱাই নিব লাগে। তেওঁ সিদ্ধান্ত গ্ৰহণ, উপলব্ধ সম্পদৰ উপযুক্ত ব্যৱস্থাপনা, অপ্ৰত্যাশিত সমস্যাৰ সমাধান ক্ষমতা ইত্যাদি নেতৃত্ব প্ৰদানৰ লগত জড়িত ক্ষমতাৰ অধিকাৰী হোৱা উচিত। নেতৃত্ব প্ৰদানৰ এই ভূমিকা এজন সফল শিক্ষকৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ।

শিক্ষাৰ অধিকাৰ আইন আৰু সৰ্বশিক্ষা অভিযানৰ যোগেদি ইয়াৰ প্ৰয়োগকৰণ সম্পৰ্কত গঠিত বৰদাই কমিতি (2009) এ শিক্ষাত শিক্ষকৰ কেন্দ্ৰীয় ভূমিকা সম্পৰ্কে মত প্ৰকাশ কৰিছে। শিক্ষাৰ অধিকাৰ আইনেও প্ৰাথমিক শিক্ষাৰ সংস্কাৰৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। শিক্ষকসকলক নতুনত্বৰ উদ্ভাৱন আৰু শ্ৰেণীকক্ষৰ বাহিৰে ভিতৰে এক অন্তৰ্ভুক্তিত পৰিৱেশ সৃষ্টিৰ কৰিবৰ বাবে উপযুক্তভাৱে অবিৰোচিত কৰিব লাগে। শিক্ষক এই ধাৰণাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ স্বীকৃতি হিচাবে বিভিন্ন শিক্ষকক ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ প্ৰদান কৰা হয়।

## 6.5.2 সৰ্বশিক্ষা আঁচনিৰ দ্বাৰা নিৰ্ধাৰিত শিক্ষকৰ ভূমিকা ঃ




বিদ্যালয় ব্যৱস্থাত পৰিৱৰ্তন সাধনৰ ধ্বজাবাহী হিচাবে সৰ্বশিক্ষা অভিযান আঁচনিত শিক্ষকৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। আমি এই কথা পুনৰ উল্লেখ কৰিব লাগিব যে শিক্ষক হিচাবে আপুনি এক পৰিৱৰ্তনকাৰী। সৰ্বশিক্ষা আঁচনিত শিক্ষকৰ ভূমিকা সম্পৰ্কে বিভিন্ন দিশ উল্লেখ কৰা হৈছে। এই দিশসমূহ হৈছে—

- **বিদ্যালয় বহিৰ্ভুত শিশুসকলক সাহায্য কৰা ঃ** সকলোৰে বাবে শিক্ষা নিশ্চিতকৰণ প্ৰক্ৰিয়াত যাতে কোনো শিশু বিদ্যালয়ৰ বাহিৰত নাথাকে তাৰ বাবে সৰ্বশিক্ষা অভিযানত বিদ্যালয় বহিৰ্ভুত শিশুসকলক বিদ্যালয়ত অন্তৰ্ভুক্ত কৰাত বিশেষ গুৰুত্ব

টোকা

প্ৰদান কৰা হৈছিল। শিক্ষাৰ অধিকাৰ আইন অনুযায়ী শিক্ষকে বয়স অনুযায়ী নামভৰ্তি কৰা এই শিশুসকলক নিয়মিত সাহায্য আগবঢ়াব লাগে।

- **বৈষম্য দূৰীকৰণ ঃ** বিদ্যালয় ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ অংগ হিচাবে শিক্ষকে শিক্ষাৰ ক্ষেত্ৰত দেখা পোৱা বৈষম্যমূলক ব্যৱস্থাসমূহ দূৰ কৰাত সাহায্য কৰিব পাৰে। শিশুৰ সাৰ্বিক বিকাশৰ দায়িত্ব বহনকাৰী শিক্ষকসকলে উপযুক্ত আৰু সময়োপযোগী ব্যৱস্থা গ্ৰহণ কৰি প্ৰচলিত ব্যৱস্থাৰ দৰ্শনীয় পৰিৱৰ্তন সাধন কৰিব পাৰে।
- **অন্তৰ্ভুক্তিমূলক শ্ৰেণীকক্ষ ঃ** শিক্ষকসকলক অন্তৰ্ভুক্তিমূলক শ্ৰেণীকক্ষৰ প্ৰতি সংবেদনশীল কৰি তুলিবৰ বাবে চাকৰিৰ পূৰ্বকালীন প্ৰশিক্ষণৰ সময়ৰ পৰাই প্ৰস্তুতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বিশেষভাৱে সক্ষম শিশুসকল অন্যান্য সাধাৰণ শিশুৰ লগত একেলগে একেটা শ্ৰেণীতে অন্তৰ্ভুক্ত কৰিব লাগে। এই ক্ষেত্ৰত বিশেষজ্ঞৰ দ্বাৰা শিক্ষক প্ৰশিক্ষণৰ বাবে বিশেষ মডুল তৈয়াৰ কৰিব লাগে। সেইদৰে ব্লক পৰ্যায়ত বিশ দিনীয়া বিশেষ চাকৰিকালীন প্ৰশিক্ষণৰ যোগেদিও শিক্ষকসকলক অন্তৰ্ভুক্তিমূলক শ্ৰেণীকক্ষ বাবে প্ৰশিক্ষণ প্ৰদান কৰিব লাগে।
- **শিক্ষকৰ আচৰণৰ মানদণ্ড ঃ** শিশুক দৈহিক শাস্তি প্ৰদান আৰু শিশুক গালাগালি বা দুৰ্ব্যৱহাৰ কৰা ব্যৱস্থা দূৰ কৰিবৰ বাবে শিক্ষা অধিকাৰ আইনত উপযুক্ত ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে। কঠোৰ পৰ্যবেক্ষণ আৰু নিয়ন্ত্ৰণৰ দ্বাৰা শিক্ষাৰ ক্ষেত্ৰৰ পৰা এই অগ্ৰহণযোগ্য ব্যৱস্থাসমূহ দূৰ কৰিব পৰা যায়।
- **শিক্ষাদানৰ উপযুক্ত আহিলা প্ৰস্তুতকৰণ ঃ** শ্ৰেণীকক্ষত ব্যৱহাৰৰ বাবে বিভিন্ন শিক্ষাদানৰ সঁজুলি বা আহিলা প্ৰস্তুত কৰণত শিক্ষকসকলক সহায় কৰিব লাগে। এই ক্ষেত্ৰত এই আহিলাসমূহ প্ৰস্তুত কৰাত বিশেষজ্ঞৰ পৰা কাৰিকৰী সাহায্য গ্ৰহণ কৰাৰ লগতে স্থানীয় নাগৰিকসকলৰো সাহায্য গ্ৰহণ কৰিব লাগে।
- **বিদ্যালয়ৰ বিকাশৰ পৰিকল্পনাৰ ব্যৱস্থাপনা ঃ** শিক্ষকে বিদ্যালয়ৰ বিকাশৰ বাবে বিদ্যালয়ৰ এচ এম চিৰ যোগেদি সমাজৰ লোকসকলক বিদ্যালয়ৰ বিকাশমূলক কাৰ্যত জড়িত কৰি বিদ্যালয়ৰ ব্যৱস্থাপনাত অংশগ্ৰহণ কৰিব লাগে।

বিদ্যালয় আৰু সমাজৰ মাজত এক ধাৰাবাহিক সম্পৰ্ক আছে। শিশুৰ বিকাশৰ প্ৰক্ৰিয়াৰ অংশীদাৰ হিচাবে পিতৃ-মাতৃ আৰু সমাজৰ আন লোকসকলে নিয়মিতভাৱে বিদ্যালয়লৈ আহি শিশুসকল আৰু শিক্ষকসকলৰ লগত কথাবাৰ্তা পাতিব লাগে। সমাজৰ সকলো বিকাশমূলক কাৰ্যাৱলীৰ লগত জড়িত এজন ব্যক্তি হিচাবে শিক্ষকসকলৰ প্ৰতি শিশুসকল আৰু সমাজৰ আন সদস্যসকল শ্ৰদ্ধাশীল হ'ব লাগে।

এইখিনিতে উল্লেখযোগ্য যে ওপৰত আলোচনা কৰা শিক্ষকৰ ভূমিকা সম্পৰ্কীয় প্ৰত্যাশাসমূহ বিদ্যালয় ব্যৱস্থাত শিক্ষকৰ ভূমিকা সম্পৰ্কে কেৱল পৰামৰ্শমূলকহে। শৈক্ষিক বিকাশৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা সৰ্বাধিক। সেইবাবে শিক্ষকসকলৰ বৃত্তিমূলক বিকাশ বিশেষ তাৎপৰ্যপূৰ্ণ। ইয়াৰ পিছত অংশত আমি শিক্ষকৰ বৃত্তিমূলক বিকাশৰ বিষয়ে আলোচনা কৰিম।



টোকা

**আপোনাৰ অগ্ৰগতিৰ বুজ লওঁক- 3**

তলৰ খালী অংশত উত্তৰ লিখক ঃ

1. বিদ্যালয় আৰু সমাজৰ পটভূমিত শিক্ষকৰ 5টা ভূমিকা উল্লেখ কৰক .........

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

## 6.5 শিক্ষকৰ বৃত্তিমূলক বিকাশ ঃ

শিক্ষকৰ বিকাশ এক সামগ্ৰিক প্ৰক্ৰিয়া। ইয়াৰ লগত ব্যক্তিত্ব, পাঠ্যক্ৰমজনিত কৌশল আৰু ব্যৱস্থাপনা সংক্ৰান্তৰ কৌশল ইত্যাদি অনেক দিশ জড়িত হৈ থাকে। বৰ্তমান সময়ত অতি দ্ৰুতহাৰত প্ৰচলিত জ্ঞানৰ কাৰ্যকাৰিতা লোপ পাই ইয়াৰ স্থানত নতুন নতুন জ্ঞানৰ ক্ষেত্ৰৰ সৃষ্টি হৈছে। এক পৰিস্থিতিত শিক্ষকসকলে উন্নীতকৰণৰ যোগেদি নিজকে নতুন পৰিস্থিতিত খাপ খাই চলিবলৈ প্ৰস্তুত কৰিব লাগে। বৰ্তমানৰ শৈক্ষিক আৰু সামাজিক পৰিস্থিতিৰ বাস্তৱ ৰূপৰ পৰিপ্ৰেক্ষিতত শিক্ষকসকল সদায় বিকাশশীল হ'ব লাগে। শিক্ষকে নিজৰ বৃত্তিমূলক দিশৰ বিকাশৰ বাবে গ্ৰহণ কৰা বিভিন্ন বিকল্প ব্যৱস্থাবোৰ পৰীক্ষা কৰি আমি দুটা মূল দিশ উল্লেখ কৰিব পাৰো।

- বিশেষজ্ঞৰ সাহায্যত কোনো অনুষ্ঠানত আয়োজন কৰা প্ৰয়োজনভিত্তিক আৰু অবিৰত শিক্ষাৰ ৰূপে চাকৰিকালীন প্ৰশিক্ষণ।
- আত্মবিকাশ, সমনীয়াৰ যোগেদি শিকন আৰু সমাজৰ লগত আন্তঃক্ৰিয়াৰ যোগেদি শিকন।

  সাধাৰণতে ওপৰৰ দ্বিতীয় প্ৰকাৰৰ ব্যৱস্থা সততে পৰিলক্ষিত হোৱা দেখা যায়। এই ব্যৱস্থাসমূহৰ ভিতৰত সমাজত আত্মশিকনৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়, কাৰণ চাকৰিকালীন প্ৰশিক্ষণ ব্যৱস্থাসমূহ অধিক সংগঠিত আৰু নিয়ন্ত্ৰিত।

চাকৰিকালীন শিক্ষণ প্ৰশিক্ষণৰ বিভিন্ন মডেল আছে যেনে —

- **মুখামুখি আনুষ্ঠানিক মডেল ঃ** এই মডেলত প্ৰশিক্ষণ অনুষ্ঠানত প্ৰত্যক্ষ শ্ৰেণী শিক্ষণৰ যোগেদি শিক্ষকসকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। ইয়াত বক্তৃতা, প্ৰদৰ্শন, আলোচনা, প্ৰজেক্ট কাৰ্য ইত্যাদি গতানুগতিক শিক্ষণ কৌশলসমূহ ব্যৱহাৰ কৰা হয়। ইয়াৰ প্ৰধান সীমাবদ্ধতা হৈছে যে এই ব্যৱস্থাত কম সময়ত অধিক প্ৰশিক্ষাৰ্থীক প্ৰশিক্ষণ প্ৰদান কৰিব পৰা নাযায়।
- **পৰ্যায়ক্ৰম মডেল ঃ** এই মডেলত দুটা বা তিনিটা স্তৰত প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰথম স্তৰত মূল উৎস ব্যক্তিসকলে উৎস ব্যক্তিসকলক প্ৰশিক্ষণ দিয়ে আৰু পৰৱৰ্তী পৰ্যায়ত এই উৎস ব্যক্তিসকলে শিক্ষকসকলক প্ৰশিক্ষণ প্ৰদান কৰে। এই ব্যৱস্থাৰ দ্বাৰা বৃহৎ সংখ্যক শিক্ষকক প্ৰশিক্ষণ প্ৰদান কৰা সম্ভৱ হ'লেও, এই মডেলৰ হস্তান্তৰকৰণ ব্যৱস্থা বা প্ৰশিক্ষণৰ বিভিন্ন পৰ্যায়ত প্ৰশিক্ষণৰ কাৰ্যকাৰিতা বহুখিনি হ্ৰাস পায়।
- দূৰশিক্ষা মডেল ঃ এই মডেলত শিক্ষকসকলক বিভিন্ন মাধ্যমৰ যোগেদি প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই মাধ্যমসমূহ হৈছে ছপা মাধ্যম, শ্ৰব্য প্ৰতিৰূপ, ভিডিঅ' সামগ্ৰী

টোকা

ইত্যাদি। প্ৰযুক্তিৰ বিকাশৰ লগে লগে বৰ্তমান শ্ৰব্য আৰু ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰ প্ৰয়োগ কৰি প্ৰশিক্ষক আৰু প্ৰশিক্ষাৰ্থীৰ মাজৰ দূৰত্ব হ্ৰাসৰ প্ৰচেষ্টা চলোৱা হৈছে। সামাজিক নেটৱৰকিং ব্যৱস্থাৰ যোগেদিও পাৰস্পৰিক যোগাযোগ 24 ঘণ্টাৰ বাবেই উপলব্ধ কৰি তুলিব পৰা যায়।

এই ক্ষেত্ৰত আমি কেইটামান দিশ মনত ৰাখিব লাগিব। এজন শিক্ষকে আন এটা অনুষ্ঠানত প্ৰশিক্ষণৰ বাবে যাব লগা হ'লে ইয়াক 'অফ চাইট অভিগমন' বুলি জনা যায় আৰু শিক্ষকসকলে বিদ্যালয় পৰিবেশত কৰ্মস্থলতে প্ৰশিক্ষণ লাভ কৰিলে ইয়াক 'অ'ন চাইট অভিগমন' বুলি কোৱা হয়। এই দুই অভিগমনৰ ভিতৰত 'অ'ন চাইট অভিগমন' উৎকৃষ্ট। কাৰণ এই ব্যৱস্থাত শিক্ষকসকলে নিজৰ কৰ্মস্থানৰ পৰা আঁতৰি নোযোৱাকৈয়ে প্ৰত্যক্ষ অভিজ্ঞতাৰ দ্বাৰা প্ৰশিক্ষণ লাভ কৰিব পাৰে।

## 6.2.1 শিক্ষক প্ৰশিক্ষণৰ বাবে জাতীয় পৰ্যায়ৰ প্ৰচেষ্টাসমূহ ঃ

বিভিন্ন সময়ত বিভিন্ন কমিতিয়ে বিভিন্ন সময়ত শিক্ষকৰ বৃত্তিগত বিকাশৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আহিছে। জাতীয় শিক্ষানীতি 1986 আৰু POA 1992টো পুনৰ এই শিক্ষক প্ৰশিক্ষণৰ গুৰুত্ব স্বীকাৰ কৰি শিক্ষকসকলৰ নিয়মীয়া প্ৰশিক্ষণ প্ৰদানৰ পৰামৰ্শ আগবঢ়াইছিল। জিলা প্ৰাথমিক শিক্ষা আঁচনি, সৰ্বশিক্ষা অভিযান আৰু শিক্ষাৰ অধিকাৰ আইন বিশেষভাৱে এই দিশত গুৰুত্ব আৰোপ কৰা হৈছে। NPE, 1986ত প্ৰাধান্য প্ৰদান কৰা নতুন ক্ষেত্ৰসমূহৰ লগত শিক্ষকসকল পৰিচিত কৰাৰ মূখ্য উদ্দেশ্যৰে 1986 চনত NCERT এ Programme of Mass orienlation of school Teachers (PMOST) নামৰ এক শিক্ষক প্ৰশিক্ষণ আঁচনি গ্ৰহণ কৰিছিল। সকলো শিক্ষকক 'পৰ্যায়ক্ৰমে মডেল'ৰ প্ৰশিক্ষণ প্ৰদানৰ বাবে এক বিশাল ব্যৱস্থাৰ প্ৰয়োজন। 1993-94 চনত NECRT-এ পুনৰ SPOT (Special orientation Program for Primary Teaching) নামৰ প্ৰগ্ৰেম গ্ৰহণ কৰি শিক্ষকসকলৰ ন্যূনতম শিকন মাত্ৰাৰ (Minimum Level of learning, MLL)প্ৰয়োজনীয় দক্ষতাসমূহ লগত পৰিচিত কৰিবলৈ আৰু অপাৰেচন ব্লেকবোৰ্ডৰ সামগ্ৰীসমূহ ব্যৱহাৰ কৰিবলৈ ক্ৰিয়াভিত্তিক আৰু শিশুকেন্দ্ৰিক শিকনৰ প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। ইয়াৰ লক্ষ্যত উপনীত হ'বৰ বাবে আত্মশিক্ষণ আৰু মুখামুখি শিক্ষণ এই দুই প্ৰকাৰৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল।

শিক্ষকসকলক শিক্ষাৰ্থীকেন্দ্ৰিক শিক্ষাদান পদ্ধতি আৰু বিদ্যালয় ভিত্তিক সাহায্য প্ৰদানৰ বিষয়ে চাকৰিকালীন প্ৰশিক্ষণ প্ৰদানৰ বিশেষ উদ্দেশ্যৰে DPEP প্ৰগ্ৰেমৰ অধীনৰ জিলাভিত্তিক জিলা শিক্ষা প্ৰশিক্ষণ অনুষ্ঠান (DIET) সমূহৰ লগতে সমগ্ৰ দেশতে ব্লক সম্পদ কেন্দ্ৰ (BRC) আৰু জোঁট সম্পদ কেন্দ্ৰ (CRC) স্থাপন কৰা হৈছিল। সৰ্বশিক্ষা অভিযান আঁচনিতো চাকৰিকালীন নিয়মীয়া প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল আৰু প্ৰত্যেক শিক্ষককে বছৰি 20 দিন প্ৰশিক্ষণ গ্ৰহণৰ বাবে নিৰ্দেশ দিছিল। আগতে গ্ৰহণ কৰা ব্যৱস্থাসমূহ পুনৰ সমন্বিত কৰি শিক্ষক প্ৰশিক্ষণৰ বাবে ব্যৱস্থা গ্ৰহণৰ প্ৰচেষ্টা কৰা হৈছিল। এই প্ৰশিক্ষণসমূহত সংগঠনমূলক শিকন ব্যৱস্থা, সামাজিক আন্তৰ্ভুক্তি ইত্যাদি অনেক নতুন বিষয় অন্তৰ্ভুক্ত কৰা হৈছিল।

প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত বৃহৎ সংখ্যক অপ্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অৱস্থিতিৰ প্ৰতি



টোকা

লক্ষ্য ৰাখি দূৰ শিক্ষা ব্যৱস্থাক শিক্ষকসকলৰ বৃত্তিমূলক বিকাশৰ প্ৰয়োজনীয়তাপূৰণৰ বাবে এক উল্লেখযোগ্য বিকল্প হিচাবে গ্ৰহণ কৰা হৈছিল। নিজৰ কামৰ স্থানৰ পৰা আঁতৰি নোযোৱাকৈ আৰু আহৰণ কৰা জ্ঞান, বোধ আৰু দক্ষতাসমূহ তেওঁলোকৰ দৈনন্দিন শিক্ষণ কাৰ্যত প্ৰয়োগ কৰাৰ ক্ষেত্ৰত সুযোগ প্ৰদানৰ ক্ষেত্ৰত এই দূৰ শিক্ষা ব্যৱস্থাই যথেষ্ট সম্ভাৱনীয়তা বহন কৰে। ইয়াত আত্ম-শিকন সামগ্ৰীৰ জৰিয়তে প্ৰশিক্ষণ প্ৰদান কৰা হ'লেও শিক্ষক প্ৰশিক্ষাৰ্থীসকলৰ শিকনৰ অসুবিধা সমূহ দূৰ কৰিবৰ বাবে উন্নত প্ৰযুক্তিৰ বিভিন্ন ব্যৱস্থাসমূহৰো সাহায্য গ্ৰহণ কৰা হয়। সহ শিক্ষাৰ্থীসকলৰ মাজত আৰু শিক্ষক প্ৰশিক্ষাৰ্থীসকলৰ মাজৰ আন্তঃসম্পৰ্ক স্থাপনৰ বাবে বিভিন্ন প্ৰযুক্তিৰ ব্যৱহাৰ কৰা হয়।

**দূৰ শিক্ষা আঁচনি ঃ সৰ্বশিক্ষা অভিযান** (DEP-SSA)ঃ সৰ্বশিক্ষা আঁচনিৰ অধীনত দূৰশিক্ষা ব্যৱস্থাৰ ওপৰত শিক্ষকসকলৰ বৃত্তিমূলক বিকাশৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। বৃহৎ সংখ্যক অপ্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক আৰু চাকৰিৰ স্থানৰ পৰা আঁতৰি থকাৰ সমস্যা এই DEP-SSAৰ দ্বাৰা দূৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। গতিকে  এই DEP-SSAৰ দ্বাৰা বিভিন্ন দূৰ শিক্ষাৰ শিক্ষণ কৌশল ব্যৱহাৰ কৰি বৃহৎ সংখ্যক শিক্ষকক দূৰ শিক্ষা বৰস্থাৰে চাকৰিকালীন প্ৰশিক্ষণ প্ৰদানৰ বাবে সামৰি লোৱা হৈছিল। NCTEৰ নিৰ্ধাৰিত মানদণ্ড অনুযায়ী অপ্ৰশিক্ষকপ্ৰাপ্ত শিক্ষকসকলক প্ৰশিক্ষণ প্ৰদানৰ কৰি চাৰ্টিফিকেট প্ৰদানৰ বাবে IGNOU আৰু NIOS-এ বৰ্তমান DE.ELED প্ৰগ্ৰেমসমূহ পৰিচালিত কৰি আহিছে।

শিক্ষকসকলে তেওঁলোকে সেৱা আগবঢ়োৱা সমাজখনৰ এক অবিচ্ছেদ্য অংগ। গতিকে তেওঁলোকে ইয়াৰ পৰা বিচিন্ন হৈ কাম কৰিব বা প্ৰশিক্ষণ ল'ব নোৱাৰে। এই ক্ষেত্ৰত SSA আৰু RTE-এ শিক্ষক আৰু সমাজখনৰ পাৰস্পৰিক আন্তঃক্ৰিয়াৰ দ্বাৰা শিক্ষকসকলৰ শৈক্ষিক বৃদ্ধি আৰু বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এতিয়া আমি এই সম্পৰ্কৰ বিষয়ে কিছু আলোচনা কৰো আহক।

## 6.6.2. সমাজত শিক্ষকসকলৰ বিকাশ ঃ

**কাৰ্যাৱলী- 3**

আপোনাক আপোনাৰ কক-আইতাই কোৱা গল্পবোৰ স্মৰণ কৰক। এই গল্পবোৰৰ কিবা মূল বক্তব্য আছেনে? এজন শিক্ষক হিচাবে আপুনি ইয়াক বিদ্যালয় শিক্ষাৰ লগত সম্পৰ্কিত কৰিব পাৰিব নেকি?





টোকা



**সমাজৰ লগত আন্তঃক্রিয়াৰ যোগেদি শিক্ষকৰ বৃত্তিমূলক বিকাশ ঃ**

আমাৰ সমাজত প্ৰচলিত অনেক গল্প আছে যিবিলাকৰ যোগেদি শিশুসকলৰ মাজত মূল্যবোধৰ বিকাশ সাধন কৰিব পৰা যায়। এই বিলাকক আমি শ্ৰেণীশিক্ষণৰ ক্ষেত্ৰত সম্পদ হিচাবে ব্যৱহাৰ কৰিব পাৰো। এই বিলাকে শিক্ষকসকলক আত্ম-শিকনৰ অভিজ্ঞতা প্ৰদান কৰে আৰু তেওঁলোকৰ বৃত্তিমূলক বিকাশত সহায় কৰে। এইদৰেই সমাজখন শ্ৰেণীকক্ষৰ সফল শিক্ষণ-শিকনৰ ক্ষেত্ৰত এক উৎকৃষ্ট সম্পদ। সমাজখনক কেনেদৰে শিক্ষণ-শিকনৰ ক্ষেত্ৰত সম্পদ হিচাবে ব্যৱহাৰ কৰিব পাৰি সেই বিষয়ে তলত আলোচনা কৰা হ'ল—

## 6.6.2.1 শিক্ষণ-শিকন সম্পদ হিচাবে সমাজ ঃ

আগৰ ব্লকত আপুনি সমাজৰ বিষয়ে অধ্যয়ন কৰিছে। আপুনি নিশ্চয় আমাৰ লগত একমত যে আপোনাৰ চাৰিওফালৰ সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশ হিচাবে আপোনাৰ সমাজখন এক চহকী সম্পদৰ ভঁৰাল। আইতাৰ সাধু, লোকগীত, কবিতা, সাঁথৰ, নৃত্য, জীৱিকা সংক্ৰান্তৰ কৌশল ইত্যাদি বিভিন্ন ৰূপত প্ৰতিটো পৰিয়ালত প্ৰচলিত ব্যাপক পৰিসৰৰ জ্ঞান আৰু দক্ষতা সমূহৰ দ্বাৰাএই সামাজিক সম্পদসমূহ বহু বছৰৰ আৰু যৌথ প্ৰচেষ্টাত সংগঠিত হৈ আহিছে। আমাৰ সমাজত প্ৰচলিত বিভিন্ন কাহিনী আৰু স্বাস্থ্য সম্পৰ্কীয় স্থানীয় দিহা সমূহলৈ মন কৰক। এই স্থানীয় জ্ঞান আৰু দক্ষতাসমূহৰ সমন্বিত ৰূপত বিদ্যালয়ত শিক্ষণ-শিকন সম্পদ হিচাবে ব্যৱহাৰ কৰাৰ যথেষ্ট সম্ভাৱনীয়তা আছে। এই স্থানীয় জ্ঞান সমূহ সামগ্ৰিক বিধৰ। সেইবাবে ইয়াক ভাষা, বিজ্ঞান, গণিত আৰু সমাজ বিজ্ঞান ইত্যাদি বিভিন্ন বিষয়ৰ ক্ষেত্ৰত শিক্ষণ-শিকন সম্পদ হিচাবে ব্যৱহাৰ কৰিব পৰা যায়।

আপুনি এই কথা জানিব পাৰিছে যে প্ৰাথমিক স্তৰৰ শিশুসকল তেওঁলোকৰ সংজ্ঞানাত্মক বিকাশৰ 'মূৰ্ত কাৰ্যকৰী স্তৰ'ৰ অন্তৰ্ভুক্ত। গতিকে এই সময়ছোৱাত স্থানীয় পৰিৱেশে শিশুসকলক বিভিন্ন বিষয়ৰ ধাৰণা গঠনৰ ক্ষেত্ৰত অনেক মূৰ্ত উদাহৰণ প্ৰদান কৰে। এজন শিক্ষক হিচাপে আপুনি বাহিৰৰ জগতখনক পাঠ্যক্ৰমৰ লগত সমন্বিত আৰু সম্পৰ্কিত কৰিব লাগে। উদাহৰণ স্বৰূপে, স্থানীয়ভাৱে প্ৰচলিত গল্প, কবিতা, গীত, স্থানীয় সমস্যা সংক্ৰান্তৰ নাটক ইত্যাদি ভাষামূলক সম্পদ হিচাবে বিশেষ মন কৰিবলগীয়া। সেইদৰেই সকলো সামাজিক কাম-কাজত গণিত আৰু অনেক বিজ্ঞানৰ ধাৰণা বিভিন্ন মাত্ৰাত জড়িত হৈ থাকে। গতিকে সৰু শিশুসকলক এই বিষয়সমূহৰ অনেক ধাৰণাৰ মূৰ্তনৰ ক্ষেত্ৰত ইয়াৰ সাহায্য ল'ব পৰা যায়। কৃষিকৰ্মসমূহ বিজ্ঞান আৰু গণিতৰ ক্ষেত্ৰত উৎকৃষ্ট সম্পদ হ'ব পাৰে। সেইদৰেই কাঠৰ কাম, মাটিৰ কাম, ৰন্ধা-বঢ়া যাতায়াত ইত্যাদিক সমাজ বিজ্ঞানৰ ক্ষেত্ৰত ধাৰণা গঠনৰ বাবে সম্পদ হিচাবে ব্যৱহাৰ কৰিব পৰা যায়। এজন সমাজ বিজ্ঞানৰ শিক্ষকে কোনো উপকৰণ আহিলা ব্যৱহাৰ নকৰাকৈ সমস্ত সমাজকেই সামাজ বিজ্ঞানৰ লেৱৰেটৰী হিচাবে ব্যৱহাৰ কৰিব পাৰিব। স্বাধীনতাৰ আগৰ কালত মহাত্মা গান্ধীয়ে বুনিয়াদী শিক্ষাৰ প্ৰচলন কৰিছিল। এই শিক্ষা



টোকা

দেশীয় ভেটিত প্ৰতিষ্ঠিত আৰু সমাজৰ শিক্ষাৰ অনুকূল। এই শিক্ষা ব্যৱস্থাত বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত সমাজক বিভিন্ন দিশৰ পৰা শৈক্ষিক সম্পদ হিচাবে ব্যৱহাৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। গান্ধীজীয়ে স্থানীয় হস্তশিল্প বিশেষভাৱে ‘সুতা কটা’ কাৰ্যক কেন্দ্ৰীয়ভাৱে লৈ স্থানীয় বুৰঞ্জী, ভূগোল, অৰ্থনীতি, নৃতত্ত্ব, সমাজ বিজ্ঞান ইত্যাদি বিষয় ইয়াৰ লগত সম্পৰ্কিত কৰি শিক্ষাদানৰ ব্যৱস্থা কৰিছিল। শিশুসকলে স্থানীয় বিষয়বস্তুৰ সাহায্যত জ্ঞান আৰু দক্ষতা অৰ্জন কৰিব পাৰে আৰু ইয়াৰ সাহায্যত তেওঁলোকে বিদ্যালয়ৰ আহৰিত জ্ঞান শ্ৰেণীকক্ষৰ বাহিৰৰ জীৱনৰ লগত যুক্ত কৰিব পাৰে।NCF-2005-ত এই কথাত গুৰুত্ব প্ৰদান কৰা হৈছে যে বিদ্যালয় শিশুৰ জ্ঞান আৰু অভিজ্ঞতাৰ লগত সম্পৰ্কযুক্ত হ’ব লাগে আৰু শ্ৰেণীকক্ষৰ জ্ঞান অভিজ্ঞতা এই বিদ্যালয়ৰ বাহিৰৰ জগতৰ লগত সম্পৰ্কিত হোৱা উচিত। বিদ্যালয়ত এনে এক পৰিৱেশ পৰিস্থিতিৰ সৃষ্টি কৰিব লাগে। য’ত শিক্ষকে সমগ্ৰ সমাজখনক বিদ্যালয়ৰ সুস্থ বিকাশ আৰু পৰিচালনাৰ বাবে জ্ঞানৰ অংশীদাৰ হিচাবে বিবেচনা কৰিব পাৰে।

## 6.6.2.2 শিক্ষক আৰু সমাজৰ পাৰস্পৰিক বিকাশ ঃ

আপোনাৰ দ্বিতীয় শ্ৰেণীত পঢ়োৱা শিক্ষকজনক মনত পেলাব পাৰিবনে? তেখেতৰ বিষয়ে আপুনি কি অনুভৱ কৰে? আপুনি কাক এজন ভাল শিক্ষক হিচাবে বিবেচনা কৰে? এইটো বৰ চিন্তনীয় বিষয়। আপুনি আপোনাৰ শিক্ষকসকলৰ কাৰোবাক ভাল পাইছিলে আৰু কাৰোবাক ভাল নাপাইছিল। কিন্তু এই কথা আপুনি স্বীকাৰ কৰিব লাগিব যে আপোনাৰ জীৱনৰ বিকাশত আপোনাৰ প্ৰতিজন শিক্ষকৰেই নিৰ্ধাৰিত ভূমিকা আছে। আমি আজিও সেইসকল শিক্ষকক আন্তৰিকতাৰে স্মৰণ কৰো যিসকল শিক্ষকৰ শিক্ষাদান কাৰ্য কেৱল বিষয়বস্তুৰ গতানুগতিক পাঠদানত কাৰ্যতে সীমিত নাছিল। ইয়াৰ বিপৰীত তেওঁলোকে পাঠ্যক্ৰমৰ বিষয়বস্তুক বাহ্যিক জগতৰ লগত সম্পৰ্কিত কৰি শিকন কাৰ্যক অৰ্থপূৰ্ণ কৰি তুলিছিল।

এজন শিক্ষকে শ্ৰেণীশিক্ষকৰ বাবে নিজক প্ৰস্তুত কৰাৰ লগতে বাহ্যিক জগতখনক শ্ৰেণী শিক্ষণৰ ক্ষেত্ৰত শিক্ষণ শিকন সম্পদ হিচাবে ব্যৱহাৰ কৰাৰ যোগ্যতা লাভ কৰিব লাগিব। শিক্ষাৰ্থীসকলক বিদ্যালয়ৰ শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰিবৰ বাবে শিক্ষকজনে শিশু, অভিভাৱক আৰু সমাজক ভালদৰে বুজি পাব লাগিব।

এখন সমাজৰ পৰিপ্ৰেক্ষিতত এজন শিক্ষকৰ এক গুৰুত্বপূৰ্ণ গতিশীল ভূমিকা আছে। সমাজৰ বিভিন্ন দিশৰ লগত জড়িত থাকি তেওঁ নিজৰ বৃত্তিমূলক বিকাশ সাধন কৰিব লাগিব। এই ক্ষেত্ৰত আমি তলৰ দিশসমূহ উল্লেখ কৰিব পাৰো—

1. ৰাজহুৱা খণ্ডৰ চৰকাৰী বিদ্যালয়সমূহৰ বহু শিশুকেই প্ৰথম পুৰুষ শিক্ষাৰ্থী। এই ক্ষেত্ৰত এজন শিক্ষকৰ বাবে মুখ্য প্ৰত্যাহ্বান হৈছে, বিশেষভাৱে গাঁৱলীয়া অঞ্চলৰ পিতৃ-মাতৃসকলক শিক্ষাৰ গুৰুত্ব সম্পৰ্কে সচেতন কৰি তোলা, যাতে তেওঁলোক নিজৰ সন্তানক বিদ্যালয়লৈ পঠাবৰ বাবে আগ্ৰহী হয়। শিক্ষকৰ উৎসাহী, অভিৰোচনমূলক ভূমিকাই পিতৃ-মাতৃৰ মনত বিশ্বাসৰ ভাবৰ সৃষ্টি কৰিব আৰু তেওঁলোকে নিজৰ সন্তানক বিদ্যালয়ত নামভৰ্তিৰ বাবে আগবাঢ়ি আহিব।



টোকা



শিক্ষকসকলে এচ এম চিৰ সাহায্যত বিদ্যালয়ৰ নামভৰ্তি প্ৰক্ৰিয়াত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। ইয়াৰ দ্বাৰা শিক্ষকে বৃত্তিমূলক বিকাশৰ অংশ হিচাবে সামাজিক নেতৃত্ব দান আৰু পৰিচালনা সংক্ৰান্তৰ দক্ষতাসমূহৰ বিকাশ আৰু প্ৰয়োগ কৰিব পাৰে।

2. এজন শিক্ষকে নিজকে জাতীয় সাক্ষৰতা অভিযান আৰু সৰুকালত শিক্ষাৰ সুবিধাৰ পৰা বঞ্চিত প্ৰাপ্তবয়স্কসকলৰ বাবে নিৰ্ধাৰিত প্ৰাপ্তবয়স্ক শিক্ষা আঁচনিসমূহৰ লগত জড়িত কৰিব পাৰে। শিক্ষকসকলে এই লোকসকলৰ মনত শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে সচেতনতাৰ সৃষ্টি কৰি আৰু শিক্ষা গ্ৰহণৰ বাবে অভিৰোচিত কৰি শিক্ষা গ্ৰহণৰ বাবে আগুৱাই আনিব পাৰে। এই কাৰ্যত অংশগ্ৰহণৰ দ্বাৰা শিক্ষকসকল সমাজৰ প্ৰকৃত শৈক্ষিক অৱস্থা সম্পৰ্কে জ্ঞাত হ'ব আৰু বিদ্যালয়ত শিক্ষাৰ্থীৰ নামভৰ্তিৰ ক্ষেত্ৰত আৰু সংৰক্ষণৰ ক্ষেত্ৰত সমাজৰ পৰা কেনেধৰণৰ সাহায্য লাভ কৰিব পাৰিব সেই দিশটো বিচাৰ কৰি চাবলৈ সক্ষম হ'ব।

3. আমাৰ সমাজত, বিশেষভাৱে গাঁৱলীয়া অঞ্চলত চিটাকৰণ, জন্ম নিয়ন্ত্ৰণ ব্যৱস্থা, গৰ্ভকালীন আৰু শিশুৰ জন্মকালীন মাতৃৰ স্বাস্থ্য, ঘৰৰ বাহিৰে ভিতৰে পৰিষ্কাৰ পৰিচ্ছন্নতা, সংক্ৰমিত ৰোগ, ব্যক্তিগত স্বাস্থ্য ইত্যাদি বিভিন্ন স্বাস্থ্য আৰু বিকাশমূলক দিশৰ লগত জড়িত বিষয়ৰ ক্ষেত্ৰত সচেতনতাৰ প্ৰয়োজন হয়। এজন শিক্ষিত ব্যক্তি হিচাবে শিক্ষকে বহলভাৱে জনসাধাৰণক বিভিন্ন প্ৰয়োজনীয় তথ্য প্ৰত্যক্ষভাৱে প্ৰদান কৰিব পাৰে। অথবা উপযুক্ত উৎস ব্যক্তি হিচাবে ডাক্তৰ বা কোনো বিশেষজ্ঞ ব্যক্তিৰ পৰা তথ্য সংগ্ৰহৰ ক্ষেত্ৰত নেতৃত্ব প্ৰদান কৰিব পাৰে। এই সচেতনতামূলক প্ৰগ্ৰেম সমূহৰ বিদ্যালয় পৰিৱেশত তাৎপৰ্যপূৰ্ণ ভূমিকা আছে। এই ক্ষেত্ৰত শিশুৰ স্বাস্থ্য আৰু পৰিষ্কাৰ পৰিচ্ছন্নতাৰ দিশটো বিশেষ বিচাৰ্য বিষয়।

4. অনেক সময়ত দেখা যায় যে শিক্ষকজন হৈছে সমাজৰ সকলোতকৈ বেছি অৰ্হতাসম্পন্ন ব্যক্তি। সেইবাবেই সমাজৰ লোকসকলে বিশেষভাৱে পিতৃ-মাতৃসকলে নিজে তেওঁলোকৰ সন্তানৰ আৰ্হি বা মডেল হোৱাৰ পৰিবৰ্তে শিক্ষকসকলকহে শিক্ষাৰ্থীৰ বাবে আদৰ্শ মডেল বা আৰ্হি হোৱাটো বিচাৰে। অভিভাৱকসকলে তেওঁলোকৰ সন্তানে শিক্ষকসকলৰ আৰ্হি অনুকৰণ কৰাটো বিচাৰে। গতিকে মানৱীয় আচৰণৰ বিকাশত শিক্ষকৰ ব্যক্তিত্বই গুৰুত্বপূৰ্ণ নিৰ্ধাৰক ভূমিকা গ্ৰহণ কৰে।

5. অধিকাংশ অশিক্ষিত বা অৰ্ধশিক্ষিত প্ৰাপ্তবয়স্ক লোক যুক্ত গাঁৱলীয়া সমাজত এজন শিক্ষকে তত্বাৱধায়ক, দাৰ্শনিক আৰু নিৰ্দেশকৰ ভূমিকা গ্ৰহণ কৰিব লাগে। সমাজৰ লোকসকলে কোনো সমস্যাৰ সন্মুখীন হ'লে ইয়াৰ সমাধান হিচাবে শিক্ষকসকলৰ ওচৰ চাপে। এনেদৰে তাত্বিক জ্ঞানৰ ভিত্তিক ব্যৱহাৰিক সমস্যাৰ সমাধান দিওঁতে দিওঁতে শিক্ষক ক্ৰমে এজন দক্ষ নিৰ্দেশক প্ৰদানকাৰী হৈ উঠে।

6. নগৰীয়া অঞ্চলৰ সমাজত গাঁৱৰ দৰে সমন্বয় দেখিবলৈ পোৱা নাযায়। এই ক্ষেত্ৰত এজন শিক্ষকে সমন্বয়কাৰীৰ ভূমিকা গ্ৰহণ কৰে। তেওঁ সমাজৰ লোকসকলক অভিৰোচিত কৰি এক গোট হ'বলৈ অনুপ্ৰাণিত কৰিব পাৰে।

মুঠতে ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে এজন শিক্ষকে সমাজত, বিশেষভাৱে



টোকা

গাঁৱলীয়া সমাজত ভিন্নমুখী ভূমিকা গ্ৰহণ কৰে। তেওঁৰ কাম কেৱল শ্ৰেণীকক্ষত শিক্ষাৰ্থীক নিৰ্দেশনা দানতেই সীমাবদ্ধ নহয়, তেওঁ সকলো ক্ষমতাৰে সমাজৰ বিকাশৰ বাবে কাম কৰিব লাগে। এই ভিন্নমুখী ভূমিকা পালনৰ ক্ষেত্ৰত শিক্ষক এজন কিছুমান বিশিষ্ট গুণৰ অধিকাৰী হ'ব লাগে। এই গুণসমূহ হৈছে— সহমৰ্মীতা, ধৈৰ্য, আত্মস্বাৰ্থহীন, সচেতনতা, সেৱাৰ মনোভাৱ, ভাল শ্ৰোতা, মানৱ দৰদী ইত্যাদি। যদি আমি শিক্ষকৰ চাকৰিকালীন প্ৰশিক্ষণৰ ওপৰত আলোকপাত কৰো তেন্তে আমি দেখিবলৈ পাওঁ যে ইয়াত 'প্ৰজেক্ট' আৰু 'কেচষ্টাডি'ৰ যোগেদি হাতে কামে শিকাৰ সুযোগ দিয়া হয়। শিক্ষকে সমাজত কাম কৰোতে অনেক সমস্যা সমাধানৰ সুযোগ লাভ কৰে। তেওঁলোকে পৰিকল্পনা প্ৰস্তুত কৰে, আৰু এচ এম চিৰ যোগেদি অনুদান গ্ৰহণ কৰে, ব্যৱহাৰ কৰে, কৈফিয়ৎ বা কাৰণ দৰ্শাই আৰু হিচাপ-নিকাচ ৰক্ষা কৰে। এইদৰেই তেওঁলোকে সমাজত কাম কৰি অভিজ্ঞতা আহৰণ কৰি বৃত্তিগত দিশত বিকাশ লাভ কৰে। সমাজ হৈছে এনে এক স্থান য'ত সমাজৰ সদস্য আৰুনেতাসকলৰ সংস্পৰ্শত কাম কৰি সামাজিক আৰু যোগাযোগৰ দক্ষতা আহৰণ কৰিব পৰা যায়। গতিকে সমাজৰ যোগেদি শিক্ষকৰ বৃত্তিগত বিকাশ সাধন হয়।

**আপোনাৰ অগ্ৰগতিৰ বুজ লওঁক- 4**

তলৰ খালী ঠাইত উত্তৰ লিখব।

1. খালী ঠাই পূৰ কৰক ঃ

(ক) মহাত্মা গান্ধীয়ে প্ৰস্তাৱ কৰা দেশীয় শিক্ষা ব্যৱস্থাৰ নাম আছিল ---------

(খ) BRC আৰু CRC—— আঁচনিৰ অধীনত স্থাপন কৰা হৈছিল।

(গ) NCERTএ ——— মডেলৰ অধীনত শিক্ষকৰ প্ৰশিক্ষণ সংগঠন কৰে।

(ঘ) 4 বা 5 শাৰীৰ ভিতৰত বৃত্তিমূল বিকাশ বুলিলে কি বুজা লিখক।

................................................................................................................

................................................................................................................

................................................................................................................

## 6.7 সমাজত শিক্ষকৰ নেতৃত্ব ঃ

বিদ্যালয়ৰ শ্ৰেণীকক্ষত শিক্ষাদানৰ ক্ষেত্ৰ বা শ্ৰেণীকক্ষৰ বাহিৰত সহঃপাঠ্যক্ৰমিক কাৰ্যাৱলীসমূহ পৰিচালনা কৰোতে এজন শিক্ষকৰ বাবে নেতৃত্বদানৰ দক্ষতাৰ প্ৰয়োজন হয়। এজন শিক্ষকৰ নেতৃত্বদানৰ দক্ষতাৰ বিষয়ে ইয়াৰ পিছৰ গোটত বিস্তৃতভাৱে আলোচনা কৰা হৈছে। আমি আগৰ অংশত ইতিমধ্যে আলোচনা কৰিছো যে বিদ্যালয়ত শিশুৰ বৃদ্ধি আৰু বিকাশত সহায় কৰিবৰ বাবে শিক্ষকে সমাজৰ লগত একেলগে কাম কৰিব লাগে। শ্ৰেণীৰ সৰু ল'ৰা-ছোৱালীসমূহক শিকন পৰিৱেশত পৰিচালিত কৰিবৰ বাবে শিক্ষকৰ নেতৃত্ব প্ৰদানৰ দক্ষতা থকা নিতান্ত বাঞ্ছনীয়। এজন শিক্ষকে বিদ্যালয়ত এচ এম চিৰ সভাসমূহত মাইক্ৰ পৰিকল্পনা আৰু স্কুল ডেভেলপমেণ্ট প্লেন' কাৰ্যকৰী



টোকা

কৰণত নেতৃত্ব প্ৰদানৰ দক্ষতা প্ৰয়োগ কৰিব পাৰিলে আমি বিদ্যালয়ৰ বিকাশৰ ক্ষেত্ৰত তেখেতসকলৰ পৰা নিশ্চিতভাৱে এক সমন্বিত প্ৰচেষ্টা আশা কৰিব পাৰো। শিক্ষাৰ অধিকাৰ আইনে বিদ্যালয়ৰ ডেভেলপমেণ্ট প্লেন প্ৰস্তুত কৰোতে এচ এম চিৰ সদস্যসকলৰ অংশগ্ৰহণকাৰী ভূমিকাৰ পোষকতা কৰিছিল।

এজন শিক্ষকে বিদ্যালয়ৰ বিভিন্ন কাৰ্যাৱলীৰ দায়িত্ব গ্ৰহণ কৰিব লাগে। তেওঁ ইয়াৰ বাবে পৰিকল্পনা কৰে আৰু ইয়াৰ বাবে তেওঁ এচ এম চিৰ অনুমোদন ক্ৰমে ইয়াৰ বাবে অনুদান লাভ কৰে। এজন শিক্ষকে শ্ৰেণীকক্ষ আৰু বিদ্যালয়ত নেতাৰ ভূমিকা গ্ৰহণ কৰে আৰু ইয়াৰ দ্বাৰাই তেওঁৰ নেতৃত্ব সমাজলৈ সম্প্ৰসাৰিত হ'ব। ফলত কোনো ৰাজনৈতিক স্বীকৃতি লাভ নকৰাকৈ এগৰাকী স্বাভাৱিক গণতান্ত্ৰিক নেতা হিচাবে স্বীকৃত হয়। এই স্বীকৃতি এজন শিক্ষকে লাভ কৰাৰ কাৰণ হৈছে লিংগ, জাতি, সমাজ ইত্যাদি দিশত কোনো বৈষম্য নথকাকৈ বিদ্যালয় পৰিচালনাৰ ক্ষেত্ৰত শিক্ষকৰ বিশেষ দক্ষতা। এজন শিক্ষকৰ বিদ্যালয়ৰ নিৰ্মাণ কাৰ্য, মধ্যাহ্ন ভোজন ইত্যাদিৰ বাবে লাভ কৰা অনুদান সমূহৰ হিচাপ নিকাচ ৰখাটো অভিজ্ঞতা থাকিব লাগে। এচ এম চিৰ দ্বাৰা ইয়াৰ অংশীদাৰসমূহৰ প্ৰতিনিধিসকলৰ সাহায্যত এচ ডি পি প্ৰস্তুত কৰিব লাগে। প্ৰতিখন বিদ্যালয়ৰ বিভিন্ন প্ৰয়োজনীয়তা আৰু পৰিস্থিতি সমূহ বিশেষ পৰিস্থিতি সাপেক্ষে বিচাৰ কৰিব লাগে আৰু বিদ্যালয়ৰ দৈনন্দিন পৰিচালনা ব্যৱস্থাক শক্তিশালী কৰিবলৈ যত্ন কৰিব লাগে। সৰ্বশিক্ষা অভিযানত নিম্ন স্তৰৰ পৰা উচ্চ স্তৰলৈ বিকেন্দ্ৰীকৃত প্ৰয়োজনভিত্তিক আৰু অংশীদাৰত্বমূলক পৰিকল্পনাত গুৰুত্ব আৰোপ কৰা হৈছিল। এই ক্ষেত্ৰত দিশ নিৰ্ধাৰণৰ ক্ষেত্ৰত এজন শিক্ষকৰ ভূমিকা গুৰুত্বপূৰ্ণ।

এজন শিক্ষক হিচাবে আপুনি আৰ টি ই আইনত নিৰ্দেশ কৰা বিদ্যালয়ভিত্তিক পৰিকল্পনা প্ৰক্ৰিয়াত কেন্দ্ৰীয় ভূমিকা গ্ৰহণ কৰিব লাগে। আৰু সমগ্ৰ দলক বিকাশৰ বাঞ্চিত উদ্দেশ্যত উপনীত হোৱাত সহায় কৰিব লাগে। বিদ্যালয় সমীপৰ সমাজৰ সদস্যসকলৰ পৰামৰ্শ ক্ৰমে এটা মূল দলৰ দ্বাৰা বিদ্যালয় বিকাশৰ পৰিকল্পনা গ্ৰহণ কৰিব লাগে। ইয়াৰ ফলত আপুনি সমাজৰ প্ৰয়োজনীয়তা সমূহ বুজি পাব আৰু এচ ডি পিত ইয়াক সন্নিবিষ্ট কৰিব পাৰিব। বিদ্যালয় বিকাশৰ পৰিকল্পনা প্ৰথমে বিদ্যালয়ৰ জোঁটৰ পৰা ব্লক আৰু ইয়াৰ পৰা জিলা পৰ্যায়লৈ যায়। মুঠতে এজন শিক্ষিত ব্যক্তি হিচাবে শিক্ষকে সামগ্ৰিকভাৱে নেতাৰ ভূমিকা গ্ৰহণ কৰিব লাগে, যাতে স্থানীয় অঞ্চলৰ শৈক্ষিক বিকাশ অৱহেলিত নহয় আৰু সকলো শিশুৱে এচ এচ এ আৰু আৰ টি ই আইনৰ দ্বাৰা নিৰ্ধাৰিত সকলো সা-সুবিধা উপভোগ কৰিব পাৰে।

## 6.8 সংক্ষেপে জানি থওঁ আহক ঃ

এজন শিক্ষকে বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত এক কেন্দ্ৰীয় ভূকি গ্ৰহণ কৰে আৰু ইয়াৰ ফলত শিক্ষাৰ্থীৰ সৰ্বাংগীন বিকাশক প্ৰভাৱিত কৰে। জাতীয় জ্ঞান আয়োগে পৰ্যবেক্ষণ কৰি কৈছিল বা বিদ্যালয় ব্যৱস্থাত শিক্ষক হৈছে একমাত্ৰ গুৰুত্বপূৰ্ণ উপাদান। স্বাধীনতাৰ পাছৰ কালছোৱাত বিদ্যালয় ব্যৱস্থাত তাৎপৰ্যপূৰ্ণ বিকাশ সংঘটিত হৈছে। NPEএ



টোকা

সৰ্বাংগীন প্ৰাথমিক শিক্ষাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল আৰু OBB, SKP, APPEP, BEP UPBEP, MS, LJP ইত্যাদি আঁচনি আৰম্ভ কৰা হৈছিল। ইয়াৰ পিছত DPEP আৰু SSA আঁচনি হৈছে ভাৰতত প্ৰাথমিক শিক্ষা সৰ্বজনীন কৰণৰ ক্ষেত্ৰত নিৰ্দেশমূল আঁচনি। কিন্তু প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণৰ সমস্যা শিক্ষকসকলৰ বাবে প্ৰত্যাহ্বানমূলক আছিল। SSA আৰু পৰৱৰ্তী পৰ্যায়ত RTE আইনত এই কথাত গুৰুত্ব দিয়া হৈছিল যে বিদ্যালয়ৰ সামগ্ৰিক সংগঠন আৰু পৰিচালনা শিক্ষকসকলৰ অন্যতম দায়িত্ব। বিদ্যালয় পৰিচালনা কমিতিৰ অংশ হিচাবে শিক্ষকসকলে পাঠদানৰ লগতে সমাজৰ সদস্যসকলৰ লগত সম্পৰ্ক ৰক্ষা কৰি চলিব লাগে। SSA ত বিদ্যালয় শিক্ষাত সকলো শিশুৰ বাবে শিক্ষাৰ সুযোগ সমতা আৰু গুণগত মান নিশ্চিতকৰণৰ বাবে বিভিন্ন ব্যৱস্থা হাতত লৈছিল। বিদ্যালয় আৰু শিক্ষাৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত শিক্ষকৰ শৈক্ষিক আৰু বৃত্তিমূলক মানদণ্ড গুৰুত্বপূৰ্ণ বিষয়। শিক্ষকৰ গুণগত মানবিভিন্ন বিষয়ৰ ওপৰত নিৰ্ভৰ কৰে, যেনে - শিক্ষকৰ স্থান, দৰমহা, কামৰ পৰিৱেশ আৰু তেওঁলোকৰ শৈক্ষিক আৰু বৃত্তিমূলক শিক্ষা ইত্যাদি। এজন শিক্ষকৰ ভূমিকা বহুমুখী। তেখেতে এজন নিৰ্দেশনা প্ৰদানকাৰী শিক্ষনৰ সহায়কাৰী, পৰামৰ্শদাতা, নেতা, জ্ঞানৰ সৃষ্টিকাৰী বিদ্যালয় আৰু সমাজৰ সংযোগকাৰী, সামাজিক পৰিবৰ্তনকাৰী ইত্যাদি অনেক ভূমিকা পালন কৰিব লাগে। শিক্ষকসকলৰ শিশুকেন্দ্ৰিক শিক্ষাদান ব্যৱস্থা সম্পৰ্কে চাকৰিকালীন প্ৰশিক্ষণ প্ৰদানৰ বাবে আৰু বিদ্যালয়ভিত্তিক সাহায্য প্ৰদানৰ বাবে NCERT এ DPEP প্ৰগ্ৰামৰ অধীনত CRC, BRC ইত্যাদি প্ৰতিষ্ঠা কৰাৰ উপৰিও PMOST, SOPT ইত্যাদি বিভিন্ন আঁচনি গ্ৰহণ কৰিছে।

শিক্ষক আৰু সমাজৰ মাজত এক আন্তঃক্ৰিয়াযুক্ত সম্পৰ্ক আছে SSA আৰু RTE আইনে SMC গঠনৰ দ্বাৰা এই সম্পৰ্ক সবল কৰাত গুৰুত্ব আৰোপ কৰিছিল। বিদ্যালয় বিকাশৰ পৰিকল্পনা (SDP) SMCৰে দ্বাৰা কাৰ্যকৰী কৰিব লাগে আৰু এজন শিক্ষকে নিজৰ বৃত্তিমূলক বিকাশ আৰু বিদ্যালয়ৰ বিকাশৰ বাবে সমাজৰ লগত সমন্বয় ৰক্ষা কৰি কাম কৰিব লাগে।

## 6.9 আপোনাৰ অগ্ৰগতিৰ বুজ লওক ঃ উত্তৰ সমূহ

- আপোনাৰ অগ্ৰগতিৰ বুজ লওক - 1

  (1) মিছা (2) সঁচা (3) মিছা
- আপোনাৰ অগ্ৰগীতৰ বুজ লওঁক - 2

  (1) হয় (2) নহয় (3) হয় (4) হয় (5) নহয়
- আপোনাৰ অগ্ৰগতিৰ বুজ লওক - 3

শিক্ষকৰ ভূমিকা বহুমুখী। শিক্ষকসকল শ্ৰেণীকক্ষৰ পৰিচালক নিৰ্দেশনা প্ৰদানকাৰী, নেতা, সমাজ পৰিবৰ্তনকাৰী, নিৰ্দেশনা প্ৰদানকাৰী আৰু জ্ঞানৰ সৃষ্টিকাৰী। ইয়াৰ বাহিৰেও আপুনি গোটত পঢ়া আন ভূমিকাসমূহো উল্লেখ কৰিব পাৰিব)



টোকা

- আপোনাৰ অগ্ৰগতিৰ বুজ লওক - 4

(ক) বুনিয়াদী শিক্ষা

(খ) DPEP

(গ) পৰ্যায়মূলক মডেল

2. আপোনাৰ উত্তৰত তলৰ দিশবোৰ অন্তৰ্ভুক্ত কৰিব জ্ঞানৰ উন্নীতকৰণ, প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকসকলক প্ৰশিক্ষণ প্ৰদান, নতুন শিক্ষাৰ্থীকেন্দ্ৰিক শিক্ষাদান ব্যৱস্থা গ্ৰহণত সাহায্য কৰা, শিকাৰ প্ৰেৰণা অক্ষুণ্ণ আৰু অবিৰত কৰি ৰখা ইত্যাদি।

## 6.10 অধ্যয়নৰ বাবে অনুমোদিত আৰু প্ৰাসংগিক গ্ৰন্থসূচী ঃ


1. Rao Vasanta Srinivas 2009, Lack of Community participation in the Sarva Shiksha Abhiyan: A Case Study. Economic & Political Weekly, Vol XLIV No. Retrieved from http://uohyd.academia.edu/SVasanta/Papers/252054 Lack_of_Community_Participation_in_Sarva_Shiksha_Abhiyan_A_ Case_Study
2. Sarva Shiksha Abhiyan, Framework of Implementation (Revised 09-06- 2011). Retrieved (30.09.11) from http://ssa.nic.in/page_portletlinks? foldername=ssa-framework
3. Sarva Shiksha Abhiyan, Framework of Implementation (16-12-2010). Retrieved (30.09.11) from http://www.cips.org.in/public-sector-systemsgovernment- innovations/documents/articles/draft_ssa_framework.pdf
4. National Curriculum Framework for Teacher Education (2009). Retrieved (30.09.11) http://www.ncte-india.org/publicnotice/NCFTE_2010.pdf
5. Overview of Community Mobilization in Sarva Shiksha Abhiyan Retrieved from **Error! Hyperlink reference not valid.**
6. DEP-SSA, IGNOU (2007): Community Mobilization: An Aspect of Quality Improvement under SSA.
7. Saraf,S.N.(1998), Teacher Preparation, NCTE, New Delhi.
8. Arora,G.L. (2002),Teacher and their Teaching-Need for New Perspectives. Ravi Books. New Delhi


## 6.11 গোটৰ অন্তৰ অনুশীলনী

1. বিদ্যালয় ব্যৱস্থাত শিক্ষকৰ ভূমিকা কৰা।

1. সমাজৰ বিকাশত এজন ভাল শিক্ষকৰ নেতৃত্বদানৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

*****